13/3/86

REFERENCE
(Not for Issue)

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 3

The 23rd February, 1979

सत्यमेव जयते

1984

*PRINTED AT GEETALI ART PRESS, DISPUR, G. S. ROAD, GUWAHATI— 781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 3

Dated the 23rd February, 1979.

## CONTENTS.


| | | Pages |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5—45 |
| 2. | Miscellaneous ... ... ... ... ... | 46 |
| 3. | Calling Attention ... ... ... ... | 47—48 |
| 4. | Matter under Rule 301 ... ... ... ... | 48—62 |
| 5. | Resolution ... ... ... .. | 62—86 |
| 6. | Adjournment ... ... ... ... | 87 |



REFERENCE
(Not for Issue)
... Library

Proceedings of the Third session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 23rd February, 1979 with the Hon. Speaker in the Chair, 12 ( twelve ) Ministers, 3 ( three ) Ministers of State, 4 ( four ) Parliamentary Secretaries and 81 ( Eightyone ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

23rd February, 1979

( To which oral answers were given )

Starred question No.10 was not put, the member being absent.

বিষয় ঃ গড়গাওঁৰ কাৰেংঘৰৰ সমীপত পৰ্য্যটক নিবাস নিৰ্ম্মাণৰ আঁচনি ।

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

*১১। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আহোম ৰজা দিনীয়া ৰাজধানী গড়গাওত কাৰেংঘৰৰ অৱস্থিতিৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে এই কাৰেংঘৰ চাবলৈ দেশ বিদেশৰ বহু ভ্ৰমণকাৰ আহে বুলিও চৰকাৰে জানেনে ?

(গ) যদি জানে তেন্তে এই ভ্ৰমণকাৰী সকলৰ সা-সুবিধাৰ বাবে গড়গাওঁৰ কাৰেংঘৰৰ সমীপত এটা Tourist Lodge নিৰ্ম্মাণৰ বাবে চৰকাৰে আঁচনি হাতত লবনে ?

(ঘ) যদি লয় তেন্তে এই বছৰৰ ভিতৰতে তেনে আঁচনি কাৰ্য্যকৰী কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( পৰ্য্যটন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১১। (ক)—হয় জানে।

(খ)—হয়, জানে।

(গ)—ওচৰৰ শিৱসাগৰ নগৰত এটা পৰ্য্যটক নিবাস আছে; তাৰোপৰি গড়গাওঁ কাৰেংঘৰৰ সমীপত এটা পৃৰ্য্যটক নিবাস নিৰ্ম্মাণৰ আঁচনি লোৱা হৈছে।

(ঘ)—চলিত বিত্তীয় বছৰৰ ভিতৰত কাৰ্য্যকৰী কৰা সম্ভৱ নহব।

শ্ৰীযোগেন গগৈ :— অধ্যক্ষ মহোদয়, শিৱসাগৰ জিলাত থকা কাৰেঙঘৰৰ সৌন্দৰ্য্য মোলান পৰি আছিছে। তাৰ সৌন্দৰ্য্য বৃদ্ধি কৰাৰ বাবে কিবা সুব্যৱস্থা কৰিবনে আৰু পৰ্য্যটক সকল আহিলে দিনে ৰাতিয়ে ইয়াৰ সৌন্দৰ্য্য দেখা পোৱাৰ বাবে বিজুলী বাতিৰ ব্যৱস্থা কৰিবনে?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী):— মই (গ) প্ৰশ্নৰ উত্তৰত কৈছো যে, ওচৰৰ শিৱসাগৰ নগৰত এটা পৰ্য্যটক নিবাস আছে, তাৰোপৰি গড়—গাওঁ কাৰেংঘৰৰ সমীপত এটা পৰ্য্যটক নিবাস নিৰ্ম্মাণৰ আঁচনি লোৱা হৈছে। এই পৰ্য্যটক নিবাস সম্পূৰ্ণ হলে বিজুলী দিয়াৰ কাম সম্পূৰ্ণ কৰা হব।

শ্ৰীপ্ৰেম বৰা :— গড়গাওঁৰ কাৰেংঘৰৰ সমীপত যিটো পৰ্য্যটক নিবাস নিৰ্ম্মাণ কৰাৰ আঁচনি লোৱা হৈছে তাত কিমান ধন খৰচ কৰিব আৰু কেতিয়াৰ পৰা এই আঁচনি আৰম্ভ হব।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) ঃ— সেই আঁচনি এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। মই কৈছো যে এই বিত্তীয় বছৰত এইটো কাৰ্য্যকৰী কৰা নহব। এইটো অহা বিত্তীয় বছৰতহে হব। যেতিয়া এই প্লেন সম্পূৰ্ণ হব তেতিয়া সদনত জানিবলৈ দিম।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ — অধ্যক্ষ মহোদয়, যোৱা বছৰ মন্ত্ৰীমহোদয় গড়গাওঁলৈ যাওতে এটা পৰ্য্যটন কেন্দ্ৰ কৰাৰ কথা কৈছিল সেইটো কেতিয়া কৰিব ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) — এইটো কোৱা হৈছিল, আৰু এই সন্দৰ্ভতে এই ব্যৱস্থা লোৱা হৈছিল।

শ্ৰীযোগেন গগৈ ঃ— অধ্যক্ষ মহোদয়, এই কাৰেংঘৰ চাবলৈ যোৱা পৰ্য্যটক সকলে লগে লগে বুৰঞ্জীয়ে পৰশা দোল দেৱালয় বিলাক চাবলৈও ইচ্ছা কৰে। গতিকে এই যাত্ৰী সকলৰ পৰিবহনৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) ঃ— এই কথা বিবেচনা কৰা হৈছে ?

শ্ৰীকূল বাহাদুৰ চেত্ৰী ঃ— পৌৰানিক দোল দেৱালয় বিলাক মেৰামতি কৰিবৰ বাবে প্ৰেতি বছৰে কিমান টকা খৰচ কৰা হয়, মন্ত্ৰীমহোদয়ে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) ঃ— হিচাব সদায় দি থকা হয় আৰু দিয়া হব।

শ্ৰীনীশিথ রঞ্জন দাস :— মহোদয়, ইতিহাস বিখ্যাত পৌরাণিক তীর্থ সিদ্ধেশ্বর শিরবাড়ীর সন্নিকাটে পাঁচগ্রামে একটা ট্যুরিষ্ট লজ্ নির্মানের ব্যাপারটী সরকারের বিবেচনাধীন ছিল। এই কাজ কি এই বৎসর আরম্ভ করা হবে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :— এইটো এটা বেলেগ

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— আমাৰ এই পৌৰানিক কীৰ্ত্তিচিন বিলাক অন্যান্য প্ৰদেশৰ তুলনাত অসমত বৰ বেছি সৌন্দৰ্য্য দেখা নাযায়। এই ক্ষেত্ৰত আমাৰ মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :— আমাৰ যিবিলাক পুৰণা কীৰ্ত্তিচিন আছে তাৰ সৌন্দৰ্য্য বঢ়াবৰ কাৰণে এতিয়া হাতত আঁচনি নাই। আমাৰ যিবিলাক কীৰ্ত্তিচিন আছে সেইবিলাক উন্নত কৰি যাতে পৰ্য্যটকক আকৰ্ষণ কৰিব পাৰি তাৰ চেষ্টা কৰা হৈছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— শিৱসাগৰ কাৰেংঘৰৰ সন্মুখত থকা মাটি পট্টন দিয়া হৈছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :— সেই প্ৰশ্নৰ উত্তৰ ৰাজহ বিভাগৰ মন্ত্ৰীয়ে দিব।

শ্ৰীগোলক ৰাজবংশী :— অধ্যক্ষ মহোদয়ে, টুৰিষ্ট লজ গোটেই ৰাজ্যতে তৈয়াৰ কৰাৰ আঁচনি লৈছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— আমি ইতিমধ্যে আই, টি, দি, চিক মাষ্টাৰ প্লেন কৰিবলৈ কৈছো। সেইটো কৰা হলে অসমৰ গোটেই পৰিস্থিতিৰ বিষয়ে চিন্তা কৰা হব।

শ্ৰীমুকুট শৰ্ম্মা :— কাজিৰঙাত আই, টি, দি, চি সজোৱা টুৰিষ্ট ল'জটো ৬ মাহ বন্ধ হৈ থকা কথা সচানে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— কাজিৰঙা চেংচুংয়েৰী ৬ মাহ সময় বন্ধ হৈ থাকে সেইবাবে সেই সময়ত ভ্ৰমণকাৰী সকলৰ সংখ্যা কম। যি দুজন এজন যায় তেওঁলোক টুৰিষ্ট ল'জত থাকে।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— জয়পুৰৰ ওচৰত থকা সীতা কুন্দৰ যাত্ৰী সকলৰ পৰা টেক্স লোৱা কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এই বিষয়ে খবৰ মোৰ হাতত নাই।

শ্ৰীযোগেন গগৈ :— দেশ আৰু বিদেশৰ পৰা অহা ভ্ৰমণকাৰী সকলৰ সা-সুবিধাৰ বাবে বিশেষ যোগাযোগ ব্যৱস্থা কৰিব পৰা নাই বাবে দেশ বিদেশৰ পৰা যাত্ৰী আহি শিমলুগুৰি ৰেলষ্টেচন প্লেটফৰ্মত থাকিব লগা হয়। গতিকে অনতিপলমে নিবাস গঠন কৰা সম্পৰ্কে বিবেচনা কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : — আমাৰ মাননীয় সদস্যই জানে যে, টুৰিষ্ট বিভাগক ল' প্ৰায়ৰটি দিয়া হৈছে। সেইকাৰণে এইবিলাক কথা বিবেচনা কৰি এতিয়া ওপৰলৈ অনাৰ চেষ্টা কৰিছো। এতিয়া

সোনকালে সিদ্ধান্ত লৈ অসুবিধা দুৰ কৰাৰ কাৰণে চেষ্টা কৰিম।

শ্ৰীৰমেশ চহৰীয়া :— আমাৰ মন্ত্ৰী মহোদয়ে গড়গাওঁৰ কাৰেংঘৰ নিৰ্ম্মাণৰ কথা এই বিত্তীয় বছৰত নহব বুলি কৈছে। বৰ্ত্তমান বছৰত কত কত পৰ্য্যটক বিভাগ সাজিবলৈ আঁচনি লৈছে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :— আপোনালোকে জানে যে, যোৱা বছৰ হাফলঙত এটা আৰু কাজিৰঙাত এটা সাজিবলৈ আৰম্ভ কৰিছো। এইটো সম্পূৰ্ণ হৈ গাহিলে ডিফু, গড়গাওঁ, হাজো আৰু বৰপেটাত তৈয়াৰ কৰা আঁচনি লোৱা হব।

শ্ৰীৰনেন বসুমতাৰী :— যোৱা বাজেট অধিবেশনত কোকৰাঝাৰ মহকুমাৰ যমদুৱাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু আকৰ্ষনীয় কৰি তোলাৰ বাবে আঁচনি লোৱাৰ কথা কৈছিল এই বছৰ তেন্তে আঁচনি কাৰ্য্যকাৰী কৰিবলৈ লৈছেনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— যমদুৱাৰৰ তৈয়াৰৰ বিষয়ে আগতেই কৈছো। তাত বন বিভাগৰ যিটো বঙলা আছে সেইটো সৰু হৈছে এইটো স্বীকাৰ কৰো। বনবিভাগৰ লগত যোগাযোগ কৰি আছো আৰু সেইটো উন্নত কৰিবৰ কাৰণে চেষ্টা কৰি আছো।

শ্ৰীচামছুল হুদা :— এতিয়ালৈকে অসমত যি কেইটা পৰ্য্যটক বিভাগ আছে, সেইবিলাকত সাধাৰণতে ওপৰ মহলৰ মানুহৰ বাবে তাত সাধাৰণ মানুহ থাকিবৰ বাবে অসুবিধা হয় গতিকে সাধাৰন মানুহৰ পৰ্য্য-

টকাৰ সংখ্যাই বেছি যেতিয়া সৰ্ব্বসাধাৰণ ৰাইজ উপকৃত হোৱা কৰি পৰ্য্যটক নিবাস তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) — চৰকাৰে এই বিষয়ে দৃষ্টি ৰাখিছে। আমাৰ কাজিৰঙাত দৰমিটৰী টাইপৰ টুৰিষ্ট ল'জ তৈয়াৰ কৰা হৈছে আৰু তাত সাধাৰণ মানুহো থাকিব পাৰিব। বাকী বিলাক ঠাইত যিবিলাক কৰা হব সেই বিষয়ে আমি চিন্তা কৰিম।

**Re: Repayment of Poultry Farming Loan and Dairy Farming Loan**

**Shri Golok Rajbangshi asked :**

* Will the Minister, Veterinary be pleased to state —

(a) The total amount of loan pending for re payment by different persons in the State from the Department till 1978 ?

(b) What is the amount which has been repaid by the loanees during the year 1978 ?

**Shri Samar Brahma Choudhury** (Minister, Veterinary) replied :

12. (a)— A total amount of Rs. 23,56,539.00 granted as loan for Poultry/Dairy farming under the Intensive Poultry and Eggs production cum Marketing Centre and Dairy Development Scheme of the Department is still to be recovered. Position as stood on 31st Deeember, 1978 is given below :—

(1) Poultry Farming Loan,
Rs. 20,40,000.00

(2) Dairy Farming loan
Rs. 3,16,539.00

Total— Rs. 23,56,539.00

(b)— A sum of Rs. 6,100.00 has been realised during the year 1978 against the scheme noted below :—

(1) Poultry Farming Loan
Rs. 6,000,00

(2) Dairy Farming Loan
Rs. 100.00

Total— Rs. 6,100.00

শ্ৰীগোলক ৰাজবংশী ঃ— অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো এই লোনৰ ভিতৰত মন্ত্ৰী মহোদয়ৰ নিজৰ নামত কিবা লোন আছিল নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ — ডায়েৰী ফাৰ্ম্মিঙৰ নামত অলপ আছে ।

শ্ৰীগোলক ৰাজবংশী ঃ— এই টকা কিমান আছিল আৰু তাৰ এতিয়া লৈকে কিমান পৰিশোধ কৰা হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ — পৰিশোধ এতিয়ালৈকে কৰা হোৱা নাই ।

শ্ৰীগোলক ৰাজবংশী ঃ— যোৱা বছৰ মন্ত্ৰী মহোদয়ে অন্য কিবা লোন পৰিশোধ কৰিছে নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— যোৱাবছৰ বেংকৰ লোন কিছু পৰিশোধ কৰা হৈছে ।

শ্ৰীগোলক ৰাজবংশী ঃ— এই টকা কিমান আছিল ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— ইয়াৰ লগতে সেইটো ৰিলিভেণ্ট নহয় ।

শ্ৰীচামচুল হুদা ঃ— ঋণ লোৱাটো অপৰাধ নহয় কিন্তু তেখেতে কিমান লোন লৈছিল আৰু কিমান ঋণ পৰিশোধ কৰিলে আৰু পৰিশোধ

নকৰা বাবে দিফলটাৰ হৈ আছে নেকি ? তাৰ বাবে কিবা স্নুদ দি আছে নে নাই ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— ৫ হাজাৰ আছিল ।

শ্ৰীচামচুল হুদা ঃ— মোৰ দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ দিয়া নাই । তেখেতে দিফলটাৰ আছে নে স্নুদ দি আছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— স্নুদ দি থকা হৈছে আৰু অলপ অলপকৈ ঋণ পৰিশোধ কৰিবলৈ যত্ন কৰা হৈছে ।

শ্ৰীগোলক ৰাজবংশী ঃ— এই কথা সচাঁ নেকি যে যোৱা বছৰ তেখেতে ইউনাইটেড বেংকত থকা গোটেই ঋণ পৰিশোধ কৰিছে অথচ চৰকাৰী ঋণ পৰিশোধ কৰা নাই ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— এইটো এটা বেলেগ কথা । তাতো গোটেই পৰিশোধ কৰা নাই ।

শ্ৰীআক্ৰাম হুচেইন :— ডায়েৰী ফাৰ্মৰ টকা এতিয়াও ৩ লাখতকৈও অধিক টকা অনাদায় হৈ পৰি আছে । তাৰ ভিতৰত মন্ত্ৰী মহোদয়ে ব্যক্তিগতভাবে কিমান টকা দিবলৈ বাকী আছে আৰু কিমান টকা পৰিশোধ কৰা হ'ল ? এই টকা কিয় আনাদায় হৈ আছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— সেইটো মোৰ ব্যক্তিগত কথা, ইয়াত নাহে ।

শ্ৰীভুবনেশ্বৰ বৰ্মন :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো তেখেতে মন্ত্ৰী হিচাবে সেই লোন লৈছিল নে সমৰ ব্ৰহ্ম চৌধুৰী হিচাবে সেই লোন লৈছিল? তেখেতে যদি সমৰ ব্ৰহ্ম হিচাবে লৈছিল তেনেহলে ইয়াত মন্ত্ৰী হিচাবে শব্দটো উত্থাপন কৰাত বিসংগতি যেন লাগিছে। মই স্পষ্টভাবে জানিব বিছাৰিছো তেখেতে মন্ত্ৰী হোৱাৰ পিছত লৈছে নে সমৰ ব্ৰহ্ম হিচাবে লৈছে? যদি সমৰ ব্ৰহ্ম হিচাবে লৈছে তেনেহলে তাত কিবা অপৰাধ হৈছে নেকি?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— এই গোটেইবিলাক লোন ১৯৬৫-৬৬ আৰু ১৯৭২-৭৩ চনত দিয়া হৈছিল। তাৰ পিছত আৰু কাকো লোন দিয়া নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— প্ৰায় ২৪ লাখ টকা ঋণ দিয়া হৈছিল। মন্ত্ৰী মহোদয়ে আমাক জনাবনে কোন কোন লোকক এই ঋণ দিয়া হৈছে? তেওঁলোকৰ নাম জনাবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— তাৰ এখন দীঘল লিষ্ট আছে পঢ়িবলৈ সময় লব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— ১০ হেজাৰৰ ওপৰৰ লোক সকলৰ নাম কলেই হব।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— টেবুলত থোৱা হব।

শ্ৰীচামচুন হুদা ঃ— এই প্ৰশ্নটোৰ উত্তৰ দিয়োতে লিষ্ট টেবুলত থোৱা কথা উল্লেখ কৰা নাই, হঠাৎ লিষ্ট টেবুলত থবলৈ সিদ্ধান্ত কিয় কৰা হ'ল ? সময় আছে পঢ়ি দিব লাগে ।

( উত্তৰ নাই )

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ঃ— এই ২৩ লাখ ৫৬ হাজাৰ টকা ঋণ দিয়া হৈছে আৰু তাৰ ভিতৰত মাত্ৰ ৬ হাজাৰ টকাহে আদায় হৈছে । এই এটা বৃহৎ সংখ্যা আদায় কৰাৰ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ? মন্ত্ৰী মহোদয়ে নিজৰ যিখিনি দিবলৈ আছে অৱশ্যে ঋণ লোৱা কোনো অপৰাধ নহয় সেইখিনি দি বাকীখিনি আদায়ৰ সোনকালে ব্যৱস্থা কৰিবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ— এই ৬ হাজাৰ ৭৮ চনৰ । এতিয়ালৈকে প্ৰায় ৪০ হাজাৰ আদায় হৈছে, পল্ট্ৰিৰ ২৮ হাজাৰ ৪৬ শ আৰু ডায়েৰীৰ ১১ হাজাৰ ১৪৫ ।

Shri Altaf Hossain Mazumdar :— Mr. Speaker, Sir, my question is not concerned with the personal loan of the Minister. As any other person a Minister also has every right to take loan.

My question is that the out standing loan figure given is 23 lakhs. Is it the principal amount

or it is including the interest ? Will the Minister enlighten the House what percentage of the loan have been realised during the last five years and what are the reasons of the loans not being repaid to the expected extent ?

Shri Samar Brahma Choudhury, ( Minister ) :— Sir, the year-wise figure is not available with me now.

Shri Altaf Hossain Mazumdar :— Sir, the question is about loan. The question's heading is very clear— Repayment of Poultry Farming Loan and Dairy Farming Loan. I am asking for the figure for the last five years and the Minister must come prepared in the House.

Shri Samar Brahma Choudhury, (Minister) :— Mr. Speaker Sir. the question is very specific. The Question is what is the amount which has been repaid by the loanees during the year 1978 ? And I have specifically mentioned the amount recovered during the year.

Shri Altaf Hossain mazumdar :— Sir, the question is con-

cerned with the repayment of loan. It is very relevant question and the Minister is bound to answer my question.

Mr. Speaker, Sir, the Minister cannot flout the House. He must come prepared or I would request you to ask the Hon'ble Minister to come prepared in the House.

Shri Samar Brahma Choudhury ( Minister ) :— Sir, I do not deny that I am bound to answer questions and I have stated that so far as the specific questions are concerned, I have already answered and I have given the total figure though not year-wise. till date what amount have been recovered and if the Hon'ble Members if the House demand that year-wise date should be placed then I will give it.

Shri Altaf Hossain Mazumdar :— Mr. Speaker, Sir, it is a vital question concerning the State Revenue and when the Hon'ble Minister is not prepared to give the answers, let the question remain pending and let him come prepared ?

Mr. Speaker :— Starred question No. 12 is kept pending.

Re : Upgradation of Kokrajhar Sub-division into a district.

Shri Mathius Tudu asked :

*13. Will the chief Minister, be pleased to state—

(a) Whether it is a fact that Kokrajhar Sub-division has been declared as a district ?

(b) If so, whether some sub-divisions will be created in this newly created Kokrajhar district ?

(c) If so, the names of the sub-divisions ?

(d) Whether Gossaigaon will also be a sub-division ?

Shri Golap Borbora ( Chief Minister ) replied :

13. (a)—Government have decided to upgrade Kokrajhar Sub-division into a district but Kokrajhar has not yet been formarlly notified as district.

(b)—At present there is no proposal to create any sub-division in the proposed Kokrajhar district.

(c) & (d)—Does not arise.

Shri Ranendra Narayan Basumatari : - Mr. Speaker, Sir, we have come to learn from the Newspapers that Kokrajhar will also be one of the District Headquarters within the State. If it is so. whether Gosaigoan wilt be declared as a Subdivision within the proposed District of Kokrajhar as Gosaigoan is surrounded by so many areas with vast population and having necessary infra-structure for a Subdivision ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— আমি সদ্যহতে মহকুমা ভিত্তিক জিলা কিছুমান গঠণ কৰাৰ সিদ্ধান্ত কৰিছো, তাৰ ভিতৰত কোকৰাজাৰত এখন নতুন জিলা খুলিবলৈ কোৱা হৈছে । কিন্তু তাৰ ভিতৰত নতুন চাব ডিভিজন গঠণ কৰাৰ কথা চিন্তা কৰা নাই ।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ঃ— চাব ডিভিজনহীন কোকৰাজাৰ জিলা বুলি মন্ত্ৰী মহোদয়ে কৈছে । কিন্তু মোৰ প্ৰশ্ন হৈছে সকলো ফালৰ পৰা মন্ত্ৰী মহোদয়ে এই কথাটো বিবেচনা কৰি গোসাঁই গাওঁত যিহেতু মহকুমা ঘোষণা কৰিবৰ কাৰণে সকলো ৰকমৰ প্ৰশাসনিক ব্যৱস্থা

সংগঠণ কৰা হৈছে তাৰ পৰিপ্ৰেক্ষিতত গোঁসাই গাওঁত মহকুমা গঠণ কৰাৰ পিচত এই বিষয়টোৰ কথা চিন্তা কৰা নাই জনাবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— এই বিষয়ে এতিয়াও বিবেচনা কৰা নাই ?

শ্ৰীগিয়াচুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, কোকৰাজাৰৰ প্ৰতিবেশী মহকুমা এখন জিলা হিচাপে ঘোষণা কৰা হৈছে নে কি ? যদি হৈছে এই জিলাৰ ভিতৰত কেইখন মহকুমা থাকিব আৰু সেই কেইখন কি কি হব ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— সদ্যহতে প্ৰশ্নটো কোকৰাজাৰৰ বিষয়ে হে আছে ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মই কোকৰাজাৰৰ প্ৰতিবেশী বুলি কৈছো, গতিকে, মুখ্য মন্ত্ৰীয়ে উত্তৰ দিব পাৰিব বুলি মোৰ বিশ্বাস ।

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— এনেকৈ আকৌ আন আন প্ৰতিবেশীৰ জিলাৰ কথাও উঠিব পাৰে ।

শ্ৰীজীৱন বৰা :— অধ্যক্ষ মহোদয়, অসমৰ প্ৰত্যেক সমষ্টিতে মহকুমা কৰিব নোৱাৰেনে ?

( উত্তৰ নাই )

## Re : U. G. C. Scale to College Taachers.

Shri M. Ibrahim Ali asked :

* 14. Will the Minister, Education be pleased to state—

Whether it is a fact that U. G. C. Scale has been accepted in Principle to be given to the College teachers of Assam by the Government ?

Shri Lakshyadhar Choudhury ( Minister, Education) replied :

14.—Yes.

Shri M. Ibrahim Ali :— Sir, my quesion is that whether U.G.C. scale of pay has been accepted to be given to all the deficit College of Assam ? If so, whether all the College Teachers will get the benefit of this payscale ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ):— পাৰলগীয়া সকলো কলেজেই পাইছে ।

**Shri M. Ibrahim Ali** :— Mr. Speaker, Sir, it has been reported that some of the members of the Teaching staff have been deprived of getting the U.G.C. pay-scale. If it is so, whether Govt. will see that they will not be deprived of getting the U.G.C. pay scale ?

**শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী )** :— চেংচন পোষ্ট নাথাকিলে দিব পৰাটো সম্ভৱ নহয় আৰু যিবিলাক চেংচন পোষ্ট আছে সেই সকলোতে ইউ, জি, চি, স্কেল দিবলৈ লোৱা হৈছে আৰু কাৰ্য্যকৰী কাম আৰম্ভ কৰা হৈছে ।

**শ্ৰীহৰেন্দ্ৰ নাথ দেৱ গোস্বামী** :— অধ্যক্ষ মহোদয়, যি সকল অনাৰ্চ গ্ৰেজুৱেট আৰু ডিচটিংচনেট গ্ৰেজুৱেট সেই সকল অসন্তুষ্ট হোৱাৰ কথাই । ইয়াৰ ফলত অসমৰ কলেজ বিলাকলৈ অসমৰ বাহিৰৰ পৰা শিক্ষক আমদানী কৰিব লগা অৱস্থাৰ সৃষ্টি হৈছে নে কি ?

**শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষামন্ত্ৰী )** :— এনে অৱস্থাৰ সৃষ্টি হোৱা নাই আৰু নহবও । কিন্তু যি সকল ইউ, জি, চি, স্কেলৰ উপোযোগী সেই-সকলোকে দিবলৈ কোৱা হৈছে, কিন্তু যিসকল অসন্তুষ্ট হৈছে সেই সকল হয়তো সেই বিধিমতে নপৰে ।

Shri M. Idrahim Ali :— Sir, there are instances where Lecturers have been working for more than 10 or 12 years.. But unfortunately they are also deprived

of getting the U.G.C. pay-scale. May I know from the Hon'ble Minister whether Govt. will recognise their services and allow them to get the U.G.C. pay-scale ?

Shri Lakshyadhar Choudhury (Minister) :— Sir, how can I recognise the irregular appointment.

বিষয় ঃ দুৰদৰ্শণ কেন্দ্ৰ।

শ্ৰীমুকুট শৰ্মাই সুধিছে ঃ

* ১৫। মাননীয় তথ্য আৰু জনসম্পৰ্কৰক্ষী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত দুৰদৰ্শণ (Television) কেন্দ্ৰ এটা স্থাপন কৰা সম্পৰ্কে অসম চৰকাৰে ভাৰত চৰকাৰক অনুৰোধ কৰিছে নেকি?

(খ) যদি কৰিছে এই সম্পৰ্কে ভাৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫। (ক)—হয়, কৰিছে।

(খ)—বিষয়টো ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীমুকুট শৰ্মা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই কথা জানে নেকি যে যোৱা ৯ ফেব্ৰুৱাৰী তাৰিখে ভাৰত চৰকাৰৰ অনাতাৰ বিভাগৰ যি কনচালটেটিভ কমিটী আছে সেই কমিটীয়ে ষষ্ঠ পৰিকল্পনাত আহমেদাবাদ, বাঙ্গালোৰ আৰু ত্ৰিবান্দ্ৰমতহে অকল দূৰদৰ্শন কেন্দ্ৰ খোলা হব বুলি কৈছে ? ইয়াৰ ভিতৰত অসমৰ কোনো কথা উল্লেখ নাই ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এই সম্বন্ধে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই থকা হৈছে আৰু তেওঁলোকে আমাক জনাইছিল যে প্লেনিং কমিচনৰ ফালৰ পৰা দূৰদৰ্শন কেন্দ্ৰ বেছি খুলিবৰ কাৰণে যো জা কৰা হৈছে। অসম চৰকাৰৰ যি অনুৰোধ সেইটো তেওঁলোকে প্লেনিং কমিচনৰ ওচৰত দাখিল কৰিছে। সোনকালে অসমত যাতে দূৰদৰ্শন কেন্দ্ৰৰ সুবিধা কৰা হয় তাৰ বাবে আমি দাবী জনাই আহিছো আৰু জনাই থাকিম।

শ্ৰীফনি মেধি :— অধ্যক্ষ মহোদয়, আমাৰ অসমৰ শতকৰা ৯১ ভাগ মানুহ গাৱঁত থাকে। এই মানুহখিনিয়ে দূৰদৰ্শন কেন্দ্ৰৰ কিবা সুবিধা পাবনে ? এই কথা মুখ্য মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— দূৰদৰ্শন কেন্দ্ৰ হলে নিজ খৰচত সুবিধা

লব পৰা মুষ্টিমেয় মানুহখিনিত বাহিৰেও সাধাৰণ মানুহে যাতে ৰাজহুৱা ভাবে কিছু সুবিধা পায়, তাৰ বাবে যত্ন কৰা হব ।

শ্ৰীআলতাফ হুচেইন মজুমদাৰ :— অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে এই কথা জানেনে যে অসমৰ দুখীয়া মানুহখিনিয়ে ৰেডিঅ'ৰ জড়িয়তে দেশৰ খা খবৰ পাই থাকে ? কিন্তু গুৱাহাটীৰ যি ট্ৰেন্স-মিটাৰ যন্ত্ৰ সেই যন্ত্ৰৰ ট্ৰেন্সমিচনৰ কেপাচিটি কমি আহিছে ।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এই প্ৰেৰক যন্ত্ৰটো শক্তিশালী কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ লগত যোগা-যোগ চলাই থকা হৈছে ।

শ্ৰীপ্ৰেম বৰা :— অধ্যক্ষ মহোদয়, অসমত দূৰদৰ্শন কেন্দ্ৰ স্থাপনৰ কাৰণে অসম চৰকাৰে ভাৰত চৰকাৰৰ ওচৰত যি অনুৰোধ জনাইছিল সেই অনুৰোধৰ তাৰিখ কি আৰু তাৰ পৰা কিবা উত্তৰ পাইছিল নে কি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—তাৰিখ সম্বন্ধে মই এতিয়া সদনক জনাব নোৱাৰিম, এই বিষয়ে পিচত জনাব পৰা হব ।

শ্ৰীচামচুল হুদা ঃ— অধ্যক্ষ মহোদয়, চৰকাৰে এইটো কথা গম পায় নে যে আমি নগাওঁত প্ৰবল ভাবে শুনি আছো তেজপুৰৰ এজন জনতা পাৰ্টিৰ প্ৰাৰ্থী শ্ৰীপুৰ্ণনাৰায়ণ সিংহই এই টেলিভিচন কেন্দ্ৰটো নগাওঁত হব লাগে বুলি দাবী কৰিছে । এইকথা চৰকাৰৰ লগত যোগাযোগ কৰিয়েই কৈছে নে এনেয়ে আৱাজ তুলি আছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এই বিষয়ে আমাৰ লগত যোগাযোগ কৰা নাই । তেখেতে যদি নগাওঁত হব লাগে বুলি দাবী কৰি থাকে তাত আমাৰ আপত্তি কৰিব লগা একো নাই ।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ :— গাওঁ অঞ্চলৰ নিৰক্ষৰতা দূৰীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে উত্তৰ প্ৰদেশ, বিহাৰ, অন্ধ্ৰ প্ৰদেশ আদি প্ৰদেশত টেলিভিচনৰ ব্যৱস্থা কৰিছিল । ঠিক সেইদৰে অসমতো তেনে ব্যৱস্থা ৰূপায়ন কৰাৰ বাবে টেলিভিচন দিছে নেকি ? যদি দিছে তেন্তে প্ৰায়বিটি বেচিচত নিৰক্ষৰতা দূৰীকৰণৰ অৰ্থে গাওঁ অঞ্চলত টেলিভিচন স্থাপন কৰাৰ আচনি লব নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— টেলিভিচন কেন্দ্ৰীয় চৰকাৰে খুলিলে সাধাৰণতে বিশেষ স্কীমত যে কৰা হয় সেইটো নহয়, টেলিভিচন থাকিলে গাওঁত শিক্ষা ব্যৱস্থাৰ লগতে অন্যান্য বহুবিলাক ব্যৱস্থাৰ কথা তাৰ যোগেদি প্ৰচাৰৰ সুবিধা হয় ।

শ্ৰীমুকুট শৰ্মা :— যোৱা লোকসভাৰ শীতকালীন অধিবেশনত পশ্চিম বংগৰ লোকসভাৰ কংগ্ৰেছী সদস্য শ্ৰীচৌকট ৰায়ে অসমৰ বিশেষ ভৌগলিক পৰিস্থিতিৰ কাৰণে গুৱাহাটীত এটা টেলিভিচন চেণ্টাৰ খুলিবৰ কাৰণে অনাতাৰ দপ্তৰৰ মন্ত্ৰীক অনুৰোধ কৰিছিল । গতিকে অসমত এই বিষয়ত বিশেষ তৎপৰতা লৈ গুৱাহাটীত এটা টেলিভিচন কেন্দ্ৰ স্থাপন কৰাৰ কথা বিবেচনা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এই বিষয়ে আমি চেষ্টা কৰি আছো আৰু দাবী জনাইছো ?

শ্ৰীযোগেন গগৈ :— জাৰ্মানত সকলোতে মিলাই শতকৰা ৯১ ভাগ টেলিভিচনৰ যোগান ধৰা হয়। হোটেল আদিতো টেলিভিচনৰ যোগান ধৰা হয়। সেই অৱস্থাতো বিবেচনা কৰি অসমতো প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) — টেলিভিচন হলে নগৰ আৰু গাওঁৰ সকলোৰে সুবিধা হব ।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত :— এই টেলিভিচন কলিকতা, দিল্লী আদি নগৰত স্থাপন কৰাৰ বাবে প্ৰতি ঘৰবে লৰা-ছোৱালীৰ পঢ়াশুনা বাদ পৰিছে। এই তথ্যটো পৰিবেশন কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— এইকথা সচা যে ঘৰত নতুনকৈ টেলিভিছন হলে কিছুদিনলৈ সেইবিলাকতেই ব্যস্ত থাকে। পিচলৈ এৰিও দিয়ে, বহুত ঠাইত দেওবাৰে চিনেমা চোৱাৰ সুবিধা নয়, বাকী সময়ত টেলিভিচন ব্যৱস্থা নোহোৱাকৈয়ে থাকে ।

## বিষয় ঃ গাওঁসভা পৰ্য্যায়ৰ সমবায় সমিতি

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

*১৬। সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁসভা পৰ্য্যায়ৰ সমবায় সমিতি সমূহে বৰ্ত্তমান কি কি ব্যৱসায় কৰি আছে ?

(খ) এই ব্যৱসায়ৰ যোগেদি সমবায় সমিতি সমূহ অৰ্থনৈতিক ভাৱে স্বাৱলম্বী আৰু লাভৱান হৈছেনে ?

(গ) যদি নাই হোৱা, সমিতি সমূহ অৰ্থনৈতিক ভাবে শক্তিশালী কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬ (ক)— গাওঁপঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি সমূহে বৰ্ত্তমান অত্যাৱশ্যকীয় সামগ্ৰীৰ সংগ্ৰহ আৰু বিতৰণ কৃষিৰ কাৰণে প্ৰয়োজনীয় বীজ, সাৰ আৰু সা-সজুলীৰ যোগান আৰু কৃষি আদিৰ বাবে সাৰ যোগান আদি ব্যৱসায় কৰি আছে।

(খ)— সমবায় সমিতি সমূহ মূলতঃ ৰাইজৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনৰ বাবে ৰাইজৰ দ্বাৰাই সংগঠন কৰা গণতান্ত্ৰিক অনুষ্ঠান। এই সমিতিসমূহ অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰি তোলাৰ মুখ্য দায়ীত্ব সমিতিৰ সভ্যসকলৰ। উপযুক্ত ব্যৱস্থা লৈ আগ বাঢ়িলে এই সমিতি সমূহ অৰ্থনৈতিক ভাবে নিশ্চয় স্বাৱলম্বী হব পাৰিব।

(গ)— সমিতি সমূহ অৰ্থনৈতিক ভাবে শক্তিশালী কৰি

তোলাৰ কাৰণে চৰকাৰে যথাসাধ্য সহায়, সহযোগীতা আগবঢ়াই আছে। চৰকাৰৰ তৰফৰ পৰা বিভিন্ন শিতানত যেনে ঃ গুদাম-ঘৰ, কাৰ্য্যালয় ব্যৱসায়িক মূলধন, আদিৰ কাৰণে ঋণ, অনুদান আদি আৰ্থিক সাহায্য সৰবৰাহ কৰা হৈছে। ইয়াৰ উপৰিও সমবায় কানুনত গঠিত আচনিৰ মাধ্যমত সৰ্ব্বতোপ্ৰকাৰে বিভাগীয় সাহায্য দয়া হৈছে।

সমবায়ৰ উন্নতিৰ বাবে আৰু অধিক কি ব্যৱস্থা গ্ৰহণ কৰা উচিত এই বিষয়ে পৰীক্ষা কৰি প্ৰতিবেদন দিবলৈ এখন উচ্চ পৰ্য্যায়ৰ সমিতি গঠন কৰি দিয়া হৈছে।

শ্ৰীগোলক ৰাজবংশী :— অধ্যক্ষ মহোদয়, অত্যাৱশ্যকীয় বস্তু বিলাকৰ ব্যৱসায় কৰি আছে বুলি কৈছে। কি কি বস্তুৰ ব্যৱসায় কৰি আছে ? আমি দেখাত একো বস্তুৱেই নাই।

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) :— এইটো ঠিক যে সমবায়ৰ যি জন্ম বৃত্তান্ত সেই মতে কাণ্ট্ৰোলৰ বস্তু বিক্ৰী কৰাৰ উদ্দেশ্যে আগৰ চৰকাৰৰ দিনত সমবায়ৰ জন্ম দিয়া হৈছিল। এই উদ্দেশ্য সফল নহ'ব যিহেতু প্ৰায়বোৰ বস্তুৰে কণ্ট্ৰোল উঠাই দিয়া হৈছে। অত্যাৱশ্যকীয় বস্তু বুলিলে সেই অঞ্চলৰ ৰাইজৰ যিখিনি দৰকাৰী বস্তু বুলি ভাবে সেই বস্তু খিনিৰ ব্যৱসায় সমবায় সমিতিয়ে কৰিব।

শ্ৰীগোলক ৰাজবংশী ঃ— অত্যাৱশ্যকীয় বস্তু বুলিলে কি কি বস্তুক বুজায় ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) নিমখ, কেৰাচিন, মিঠাতেল, কাপোৰ, চাউল, চাবোন,

আদি বস্তু বিলাককে বুজায়।

শ্ৰীগোলক ৰাজবংশী :— এইটো কথা সচা নেকি যে মুকলি ব্যৱসায় হোৱাৰ কাৰণে অত্যাৱশ্যকীয় বস্তুবিলাক সমবায় কেন্দ্ৰত বিক্ৰী হোৱা নাই ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) :— সচা নহয় ।

শ্ৰীফনি মেধি :— আমাৰ সমবায় মন্ত্ৰী মহোদয়ে এই সদনত ঘোষণা কৰিছিল যে অসমৰ সমবায় সমিতি সমূহ ইতিমধ্যে দুৰ্ব্বল হৈ গৈছে আৰু বহু সমবায় বিভাগীয় কৰ্ত্তৃপক্ষৰ অৱহেলা বা দূৰ্নীতিত পৰি মৰি যোৱাৰ উপক্ৰম হৈছে। সমবায় সমিতি সমূহ পৰীক্ষা-নিৰীক্ষা কৰি চোৱাৰ কাৰণে বা বিভাগীয় দোষী বিষয়া সকলক শাস্তি দিয়াৰ কাৰণে এনকুৱাৰী কমিশ্যন বহুৱাৰ কথা ঘোষণা কৰিছিল। তাৰ কাম আৰম্ভ কৰিছে নে নাই ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) :— উচ্চ পৰ্য্যায়ৰ কমিটি গঠন কৰা হৈছে আৰু ৩১ মাৰ্চৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ সময় দিয়া হৈছে।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ :— খ প্ৰশ্নটো আছিল— এই ব্যৱসায়ৰ যোগেদি সমবায় সমিতি সমূহ অৰ্থনৈতিক ভাবে স্বাবলম্বী আৰু লাভৱান হৈছে নে ? তাত অলপ ছুটি বক্তৃতা দিলে কিন্তু জবাব দিয়া নাই। যোৱা আৰ্থিক বছৰত গোটেই সমবায় সমিতি সমূহে কিমান টকা লাভ বা লোকচান কৰিছে ? কিমান খিনিয়ে লাভ কৰিছে আৰু

কিমান খিনিয়ে লোকচান কৰিছে ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) :— অৰ্থনৈতিক ভাবে স্বাবলম্বী শব্দটোৱে বোধহয় টকাৰ লাভ-লোকচানক নুবুজাব। সেৱাৰ ফালৰ পৰা চালে সমবায় ব্যৱসায়টোত কেৱল লাভ-লোকচানৰ হিচাব কৰিলে কি হব।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ :— মোৰ প্ৰশ্নটোৰ জবাব দিয়া নাই। যোৱা আৰ্থিক বছৰত এই সমবায় সমিতি সমূহে কিমান টকা লাভ বা লোকচান কৰিলে ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) ঃ— এই বছৰৰ হিচাব এতিয়াও ওলোৱা নাই। সমবায় সমিতি সমূহৰ অদিত চলি আছে। এতিয়াও অদিত ৰিপোৰ্ট পোৱা নাই। গতিকে এই বিষয়ে সঠিক কৈ কব নোৱাৰিম।

শ্ৰীআলতাফ হুছেইন মজুমদাৰ ঃ— কোন বছৰৰ আছে ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) :— ১৯৭৬-৭৭ চনৰ ৩১০ খন সমবায় সমিতিয়ে ১৩.৯০ লাখ টকা লাভ কৰিছে আৰু একোখনকৈ সমিতিয়ে গড়ে প্ৰায় ৪৫৯৭ টকাকৈ লাভ কৰে। সেই বছৰত ৩৫৫ খন সমিতিয়ে মুঠতে ১৫.১৪ লাখ টকা লোকচান কৰিছে।

শ্ৰীচামচুল হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, পহিলা এপ্ৰিলৰ পৰাই সমবায় সমিতি বিলাক 'লিকুইডিশ্বন' কৰাৰ ব্যৱস্থা কৰি আছে নেকি ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) ঃ— সকলো বিলাকেই নহয়। যি বিলাকৰ

'লিকুইডিশ্বন' নকৰিলে উপায় নাই সেইবিলাকৰ হিচাব নিকাচ আদি কৰি থকা হৈছে ।

শ্ৰীপ্ৰেমধৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, গাওঁ সভা পৰ্য্যায়ত যি সকল সমবায় সমিতিৰ সম্পাদকক নিয়োগ কৰা হৈছিল সেইসকলক 'কেদাৰ মেনেজমেণ্ট'ৰ পৰাই নিয়োগ কৰা হৈছিল। যি হেতু সেই সকলক দৰ্ম্মহা আদি দিয়াৰ প্ৰশ্ন আছে গতিকে সেই সকলক গাওঁ সভা পৰ্য্যায়ৰ সমবায় সমিতি বিলাকৰ পৰাই দা-দৰ্ম্মহা আদি দি থকা হৈছে । যি হেতু এই সমবায় সমিতিবিলাকত কোনো লাভ-জনক ব্যৱসায় আদি চলা নাই সেইকাৰণেই এই সকলক দৰ্মহা আদি দিবলৈ যাওঁতে সমবায় সমিতি বিলাকৰ মূলধনৰ পৰাই দিবলগীয়া হৈছে । ফলত আৰ্থিক ভাবে এই বিলাক ক্ষতিগ্ৰস্ত হৈছে আৰু মৰি যোৱাৰ উপক্ৰম হৈছে । এই কথাটো মান-নীয় মন্ত্ৰী মহোদয়ে জানেনে আৰু যদি জানে তেতিয়াহলে, ইয়াৰ নিৰাময়ৰ কাৰণে কি ব্যৱস্থা কৰিছে ?

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, 'কেদাৰ মেনেজমেণ্ট' ৰ পৰাই চেক্ৰেটেৰী সকলক নিয়োগ কৰা হৈছে যদিও উত্পাদন, সংৰক্ষণ, আৰু বিতৰণৰ ক্ষেত্ৰত স্বাৱলম্বী হব পৰাকৈ ধাৰণা কৰি লোৱা হৈছিল । যেতিয়া সম্পাদক সকলক নিয়োগ কৰা হয় তেওঁলোকক দৰ্মহা আদি দিয়াৰ ক্ষেত্ৰত প্ৰথম বছৰত চকাৰৰৰ ফালৰ পৰাই সমূদায় দৰৰ্ম্মহা দিব লাগে । দ্বিতীয় বছৰত শতকৰা ৬৬ ভাগ চৰকাৰৰ ফালৰ পৰা দিব আৰু বাকী বিলাক সমবায় সমিতি বিলাকৰ ফালৰ পৰা দিব লাগে । তৃতীয় বছৰত শতকৰা

৩৩ ভাগ চৰকাৰৰ ফালৰ পৰা দিব আৰু বাকী খিনি সমবায় সমিতিৰ ফালৰ পৰা দিব লাগে। চতুৰ্থ বছৰত গোটেই খিনি সমবায় সমিতি বিলাকেই দিব পৰাকৈ ব্যৱস্থা কৰা হৈছিল। সেই সময়ত এই বিলাক উপাৰ্জ্জনশীল হব পৰাকৈ পৰিকল্পনা কৰা হৈছিল। শেষত দেখা গল যে, কৰ্ম্মচাৰী সকলক দা-দৰ্ম্মহা আদি দিয়াৰ ক্ষেত্ৰত সমবায় সমিতি বিলাকে সাফল্য অৰ্জ্জন কৰিব নোবাৰিলে আৰু ইয়াৰ ফলতেই চৰকাৰৰ ফালৰ পৰাই দা-দৰ্ম্মহা আদি দিব লগীয়া হয়।

শ্ৰীজীৱন বৰা :— মাননীয় অধ্যক্ষ মহোদয়, সমবায় সমিতি বিলাকৰ সম্পাদক সকলে ৰাইজৰ বহু টকা আত্মস্যাত কৰিলে। ৰাইজৰ অংশৰ টকা আত্মস্যাত কৰা এই লোক সকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হব আৰু যি বিলাক সমবায় সমিতিক ধ্বংশ কৰিলে সেই বিলাকক কি ধৰণে সহায় কৰা হব।

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ আগৰ বিধান সভা বৈঠকত কৈছিলো। যি সকলে টকা আত্মস্যাত কৰাত ধৰা পৰিল সেই সকলক নিলম্বিত কৰা হল। সেই সকলৰ বিৰুদ্ধে গোচৰ তৰা হৈছে। যি বিলাকৰ টকা পইছা একেবাৰে নাইকীয়া হৈ গৈছে সেই বিলাকক ঋণ আদি দি সহায় কৰাৰ চেষ্টা কৰা হৈছে। গোটেই বিলাকৰ হিচাব পত্ৰ আদি মই এতিয়াই দিব নোৱাৰিম।

শ্ৰীযোগেন গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গতে মই এটা কথা কব খোজো যে, ছয়গাৱঁৰ এখন সমবায় সমিতিৰ ৩০ হেজাৰ টকা

আৰু লগতে অংশৰ টকাও আত্মসাৎ কৰিলে। চৰকাৰে এই বিষয়ে এটা তদন্ত কৰিবনে ?

শ্রীসোনেশ্বৰ বৰা ( মন্ত্রী ) :— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে এতিয়াই উত্তৰ দিব নোৱাৰিম। খবৰ কৰিলেহে জনাব পাৰিম।

শ্রীমহম্মদ ওমৰুদ্দিন :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰটোত কিমান টকা সমুদায় কৃষিঋণ দিয়া হল, কিমান টকা আদায় পালে আৰু কিমান টকা এতিয়াও দিবলৈ বাকী আছে সেইটো মাননীয় মন্ত্রী মহোদয়ে জানেনে ?

শ্রীসোনেশ্বৰ বৰা ( মন্ত্রী ) :— এই খবৰটো মই এতিয়াই দিব নোৱাৰিম। কেইদিন মান পিছত খবৰ কৰিহে জনাব পাৰিম।

শ্রীগিয়াচুদ্দিন আহমেদ :— মাননীয় অধ্যক্ষ মহোদয়, মুক্ত ব্যৱসায় নীতি আৰু ব্যক্তিগত ব্যৱসায়ৰ প্রতিযোগিতা সমবায় সমিতি বিলাকে উন্নতি কৰাৰ অন্যতম বাধা। চৰকাৰে এই কথাটো জানেনে আৰু যদি জানে তেতিয়াহলে, এই বাধাবোৰ আতৰাবৰ কাৰণে কি ব্যৱস্থা হাতত লব খোজে ?

শ্রীসোনেশ্বৰ বৰা (মন্ত্রী) :— মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো চৰকাৰে নিশ্চয় উপলব্ধি কৰিছে। সকলো বিলাক বাধা নিষেধ আদি আতৰ কৰি সমবায়ক এটা নিকা প্রশাসন দিবৰ কাৰণেই সকলো বিলাক বিষয় পৰীক্ষা কৰি চাই ব্যৱস্থা লবলৈ এখন উচ্চ পৰ্য্যায়ৰ কমিটি

কৰাৰ কথা মই ইতিমধ্যেই ঘোষনা কৰিছো। সেই কমিটিৰ প্ৰতিবেদন পোৱাৰ পিছত সমবায়ৰ মানাভাৱেৰে সমবায় গঠন কৰিবলৈ ব্যৱস্থা কৰা হব।

শ্ৰীছামচুল হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা অতি গুৰুত্বপূৰ্ণ কথা। গতিকে ইয়াৰ কাৰণে আধাঘণ্টাৰ কাৰণে এটা আলোচনা লাগে।

**বিষয় ঃ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কমিটিৰ প্ৰতিবেদনৰ ওপৰত সিদ্ধান্ত**

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

*১৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কমিটিৰ প্ৰতিবেদনৰ ওপৰত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিলে নেকি ?

(খ) যদি কৰিলে, উক্ত সিদ্ধান্ত চৰকাৰে কেতিয়া ঘোষণা কৰিব ?

শ্ৰীগোলাপ বৰবৰা ( মূখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৭। (ক)— নাই কৰা।

(খ)— প্ৰশ্ন নুঠে।

শ্ৰীমুকুত শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, এক জানুৱাৰীৰ এখন সাং- বাদিক মেলত মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অতি সোনকালেই স্থায়ী ৰাজধানীৰ স্থান সম্পৰ্কে ঘোষনা দিয়া হব বুলি কৈছিল। সেই উক্তি কেতিয়া বাস্তৱত ৰূপায়িত হব।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অতি সোনকালেই ঘোষনা কৰা হব।

শ্ৰীমুকুত শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মানহৰ এবছৰ দেৱতাৰ এদিন হয়। আমাৰ মাননীয় মূখ্যমন্ত্ৰীৰো দেৱতাৰ এদিনেইনেকি ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এবছৰ নেলাগে। অতি সোনকালেই ঘোষনা দিয়া হব।

শ্ৰীহৰেন্দ্ৰ নাথ দেৱগোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, স্থায়ী ৰাজধানীৰ কথাটো ইমান দিনে "পেণ্ডিং" হৈ থকাৰ সময়ত ইমান বিলাক জিলা আৰু মহকুমাৰ ঘোষনা চৰকাৰে দিলে। ইয়াৰ কাৰণ কি ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— ইয়াৰ লগত তাৰ কোনো সম্পৰ্ক নাই।

শ্ৰীমুকুত শৰ্ম্মা :— স্থায়ী ৰাজধানীৰ ঘোষনা ১৯৭৯ চনৰ ভিতৰতে

দিয়া হবনেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— হয়, নিশ্চয় হব ।

Ref : Principle followed for transfer of officers

Shri Kiron Chandra Bezbaruah asked :

* 10. Will the Chief Minister be pleased to state—

(a) Whether there is any principle on which the Government transfer officers from one place to another ?

(b) If so, whether the said principle was strictly followed in all cases of transfer ?

Shri Golap Borbora ( Chief Minister ) replied :

10. (a)—Yes.

(b)—Subject to administrative exigencies, the principle is followed in cases of transfer and positng.

Mr. Speaker – Now next question No. 18. Mr. Kiron Chandra Bazbaruah is absent. Shri Atul Goswami has been authorised to move supplementaries to question No. 10. on behalf of Shri Kiron Chandra Bezbaruah. Now let us go to question No. 10 which has been left out.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :– মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই প্ৰিন্সিপুল বিলাক মানি লোৱা হয় বুলি কৈছে। কেতিয়াবা বিভাগীয় কিছুমান সা-সুবিধাৰ কাৰণে কিছু পৰিবৰ্ত্তন কৰা হয় বুলিও কোৱা হৈছে। উচ্চ পৰ্য্যায়ৰ বহুতো বিলাক বদলি বহুতো সময়ত দেখা যায় যে এবাৰ বদলি কৰে আৰু সাত দিন মানৰ ভিতৰতে বন্ধ হয়, এইদৰে এমাহ মানৰ ভিতৰত একো একো-জন লোকক তিনিবাৰ মানকৈও বদলি কৰি, চেষ্ট কৰা হয়, আকৌ বদলিৰ নিৰ্দ্দেশ দিয়ে। এনেকুৱা যে উদাহৰণ আছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সাধাৰণতে তিনি বছৰ থাকিবলৈ দিব লাগে যিহেতু বিষয় ববীয়া কৰ্ম্মচাৰী সকলৰ লৰা-ছোৱালী বিলাকৰ পঢ়া-শুনা আৰু আনুসঙ্গিক বিষয় বিলাক জড়িত থাকে গতিকে সেই বিলাক কথাৰ প্ৰতিও লক্ষ্য ৰাখিব লগীয়া হয়। কেতিয়াবা বিশেষ কাৰণত বদলি কৰিবলগীয়া হয়। মাননীয় সদস্য জানে যিটো

কথা কৈছে তেনেকুৱা হোৱা মোৰ চকুত পৰা নাই। কেতিয়াবা আমাৰ মাননীয় সদস্য সকলৰ অনুৰোধ ৰক্ষা কৰিবলৈকো, যিহেতু তেখেত সকল ৰাইজৰেই প্ৰতিনিধি, কিছুমান বদলি আৰু ষ্টে আদি কৰিবলগীয়া হয়। সেইখিনিও কৰিব লগীয়া নহলে ভালেই পাম।

শ্ৰীনূরুল হুদা :— অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয় বলেছেন যে বিশেষ কারণে কোন কোন সময় অফিসারদের বদলি করা হয়। আমরা দেখেছি যে সাধারনতঃ ৩ বৎসর হলে পর একজন উচ্চপদস্থ কর্মচারীকে অন্য যায়গায় বদলি করলে ভাল হয় এবং এটাই নীতি ছিল। কিন্তু বিভিন্ন সময় ডি সি এবং অন্যান্য উচ্চ পদস্থ কর্মচারীকে দেখা যায় যে ৯। ১০। ১১। ১২ মাসের মধ্যেই বদলি করা হয়। আবার কোন কোন বিশেষ বিশেষ ক্ষেত্রে দেখা যায় যে ৬। ৭। ৯। ১০ বৎসর পর্য্যন্ত এক একজন উচ্চপদস্থ কর্মচারীকে একই স্থানে রাখা হয়। সুতরাং আমি মুখ্যমন্ত্রী মহাশয়কে জিজ্ঞাসা করতে চাই যে এই ব্যাপারে বর্তমান সরকার কোন বিশেষ নীতি নির্দ্ধরন করবেন কি? এবং সেই নিয়মে ষ্টিক্ করবেন কি? কোন এম এল এ এসে বললেই এই ধরনের নীতি লংঘন করে ট্রেন্সফার করা বা ট্রেন্সফার রদ্ করা আপত্তিজনক নয় কি?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— ৬-৭ বছৰৰ ওপৰ থকা কিছুমান প্ৰমাণ আমাৰ হাতত আছে। আমি সাধাৰণতে এইবিলাক ত্ৰুটি দূৰ কৰিবলৈ নিৰ্দ্দেশ দিছো। যাতে ৩ বছৰৰ ওপৰ কোনেও কতো থাকিব নোৱাৰে। ৩ বছৰৰ ভিতৰতে কেতিয়াবা কোনো কোনো ক্ষেত্ৰত প্ৰশাসনীয় বিশেষ অৱশ্যকতাৰ কাৰণে বদলি কৰিব লগীয়া হয়। আমি কাৰোবাৰ প্ৰেচাৰত বদলি কৰাটো বন্ধ কৰিবলৈ

চেষ্টা কৰিছো ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— বিভিন্ন কাৰণত বদলি কৰা হয় । কেতিয়াবা যুক্তিসংগত কাৰণত, কেতিয়াবা যুক্তিসংগত কাৰণ নোহোৱাকৈ, কেতিয়াবা ৰাইজৰ স্বাৰ্থৰ বিৰুদ্ধে, কেতিয়াবা ৰাইজৰ স্বাৰ্থৰ পক্ষে, কেতিয়াবা সংশ্লিষ্ট কৰ্ম্মচাৰীৰ সুবিধাৰ, কাৰণে, কেতিয়াবা অসুবিধাৰ কাৰণে বদলি কৰিবলগীয়া হয় । এইবিলাক কথা নিৰপেক্ষ ভাবে বিচাৰ কৰিবৰ কাৰণে চৰকাৰী পৰ্য্যায়ত এটা উচ্চপদস্থ কমিটি গঠন কৰাৰ কথা বিবেচনা কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আমি ৩ বছৰৰ প্ৰিন্সিপুলটো মানি লৈছো। তাৰ ভিতৰতে বিশেষ কাৰণত দুই চাৰিটা ক্ষেত্ৰত কৰিবলগীয়া হৈছে। নতুনকৈ যাতে কৰা নহয় সেইহিচাবে সাধাৰণ কৰি লৈ নিৰ্দ্দেশ দিয়া হৈছে । আৰু মই ভাবো এনেকুৱা কমিটি কৰিলেও ক্যাবো একো লাভ নহব বৰঞ্চ তাৰ পৰা নতুন নতুন সমস্যাহে সৃষ্টি হব পাৰে ।

শ্ৰীফণী মেধি :— মুখ্যমন্ত্ৰী মহোদয়ে সদনক জনাইছে যে চৰকাৰৰ নীতি অনুসৰি বিভাগীয় উচ্চপদস্থ কৰ্ম্মচাৰী সকলক ৩ বছৰৰ পিচত বদলি কৰা হয় । কিন্তু আমি দেখিবলৈ পাইছো যে আমি বিশ্ব-বিদ্যালয়ত পঢ়ি থকা সময়ৰ পৰাই পুলিচ বিষয়া গুৱাহাটীতে একেৰাহে আছে । অকল পুলিচ বিভাগতেই নহয় অন্যবিলাক বিভাগতো ১০।১২ বছৰ ধৰি গুৱাহাটীতে থকাটো আমি দেখিবলৈ পাইছো। বিশ্ববিদ্যালয়ত পঢ়ি থকা দিনৰে পৰাই আজিলৈকে কিছু-মান বিষয়াক আমি গুৱাহাটীতে দেখিবলৈ পাই আহিছো । গতিকে

কি প্ৰশাসনীয় স্বাৰ্থৰ খাতিৰত এই বিষয়া সকলক গুৱাহাটীৰ পৰা বদলি কৰা হোৱা নাই, এই কথা মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মই নিজে জানো যে গুৱাহাটীত তেনেকুৱা বহুত বিলাক বিষয়া বহুত দিন ধৰি আছে। বিশেষকৈ পুলিচ বিভাগত কেইবাটাও শাখা হোৱাৰ কাৰণে এটা শাখাৰ পৰা আন-এটা শাখালৈ বদলি হৈ যায় কিন্তু গুৱাহাটীতে থাকে। এইটো অকল পুলিচ বিভাগতেই নহয় গুৱাহাটীৰ দিশপুৰত ৰাজধানী হোৱাৰ পিচত বহুত বিলাক বিষয়াই গুৱাহাটীতে ঘৰ দুৱাৰ সাজি লৈছে আৰু গুৱাহাটীতে থাকিবলৈ চেষ্টা কৰিছে। আমি সেইকাৰণে আই, জি, পি, ৰ যোগেদি নিৰ্দ্দেশ দিছো যে পুলিচ বিভাগৰ এটা শাখাৰ পৰা আন এটা শাখালৈ বদলি হৈ যাতে গুৱহাটীতে থাকিব নোৱাৰে তাৰ এটা সোনকালে ব্যৱস্থা কৰে।

শ্ৰীগোলক ৰাজবংশী : — এই কথা সচাঁনে এক্সাইজ বিভাগ হলে ডিব্ৰুগড় বা তিনিচুকীয়ালৈ যাবলৈ বিচাৰে, গড়কাপ্তানী বিভাগ হলে নতুন কাম ক'ত ওলাইছে তালৈ যাব বিচাৰে, যদি একো নাথাকে তেতিয়াহলে তেজপুৰলৈ যায় আৰু মাজে মাজে গুৱাহাটীলৈ আহি থাকে। এইটোৰ কি ব্যৱস্থা কৰিব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— এইটো আগৰ চৰকাৰৰ দিনত হব পাৰে, এতিয়া হোৱা নাই।

শ্ৰীনৰেন দত্ত :— বিষয়া সকলক যি অস্ত্ৰৰ মাধ্যমেৰে বদলি কৰা হয় সেই অস্ত্ৰকে মন্ত্ৰীসকলেও ব্যৱহাৰ কৰাৰ উদাহৰণ পোৱা যায়। এনে

অস্ত্র বহুতো দুৰ্নীতিত লিপ্ত থকা বিষয়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰি টকা-পইচা ঘটাৰ কথাও গোৱা যায়। এনে ব্যৱস্থা যাতে জনতা চৰকাৰৰ দিনত হব নোৱাৰে তাৰ কাৰণে জনতা চৰকাৰে বলিষ্ঠ পদক্ষেপ লবনে? কিছুমান বিষয়াই ৰাজধানীত ১০।১২ বছৰ ধৰি আছে। এটা পদ সৃষ্টি হোৱাৰ দিনৰে পৰা সেই একেটা পদতেই একে ঠাইতেই আছে। এনে ধৰণৰ প্ৰশাসনীয় দুৰ্নীতি দূৰ কৰিবলৈ জনতা চৰকাৰে ব্যৱস্থা কৰিবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আমি এইবিলাক ব্যৱস্থা লৈছো অৰু বিশেষ ভাবে ব্যৱস্থা লোৱা হব।

শ্ৰীমুকুট শৰ্ম্মা :— মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জনিব বিচাৰিছো যে বিষয়া সকলক ৩ বছৰৰ পিছত বদলি কৰিলেও বছৰৰ মাজত বদলি কৰিলে লৰা-ছোৱালীৰ পঢ়া-শুনাত অসুবিধা হয়। সেই কাৰণে বিষয়া সকলক বছৰৰ শেষত যাতে লৰা-ছোৱলীয়ে নতুন স্কুলত গৈ পঢ়িব পাৰে তেনেকুৱা বদলি কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেইটো নীতি দিয়া হৈছে।

শ্ৰীনজমুল হক :— মুখ্যমন্ত্ৰীয়ে কৈছে যে বিষয়া বদলিৰ ক্ষেত্ৰত কেতিয়াবা সদস্য সকলৰ কথাও শুনিবলগীয়া হয়। এইক্ষেত্ৰত মই তেখেতৰ দৃষ্টিআকৰ্ষণ কৰিব বিচাৰিছো যে কোনোবা এজন সদস্যই বদলিৰ কাৰণে কোৱাৰ পিচত যদি ৰুলিং পাৰ্টিৰ সদস্যই প্ৰ'টেষ্ট' কৰিব লাগে বুলি কয় তেনে ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই বিষয়ে আমি তদন্ত কৰি চাম। তেখেতে কোৱা কথাটো সচাঁ হলে আমি বিবেচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিম, ৰাইজৰ সুবিধা অনুসাৰি ।

শ্ৰীমোঃ ছামচুল হুদা :— এটা কথাত মই মুখ্যমন্ত্ৰী মহোদয়ৰ লগত একমত হব নোৱাৰিলো । তেখেতে কৈছে যে বিধান সভাৰ সদস্যসকলৰ অনুৰোধক্ৰমে কোনো কোনো ক্ষেত্ৰত বদলি কৰিবলগীয়া হয়। কিন্তু মই জনাত চৰকাৰৰ এখন চিৰিয়াচ চাঁকুলাৰ আছে যে কোনো এম, এল, এ, বা এম, পি, যদি বিষয়া বদলিৰ ক্ষেত্ৰত পৰোক্ষ বা প্ৰত্যক্ষ ভাবে জৰিত থাকে তেতিয়াহলে তেওঁলোকৰ ওপৰত শাস্তি-মূলক ব্যৱস্থা লোৱা হব ।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— তেনেকুৱা চাঁৰ্কুলাৰ দিয়া হোৱা নাই । এই বিষয়ে সদনত সংশোধিত বিবৃতি দিয়া হল ।

শ্ৰীমোঃ ছামচুল হুদা :— যোৱা বিধান সভাতো আমি এই কথা উত্থাপন কৰিছিলো...........

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এটা কথা ঠিক যে চৰকাৰী কৰ্ম্মচাৰী সকলৰ কামৰ ক্ষেত্ৰত ৰাইজে সদস্যসকলৰ লগত আলোচনা কৰিব লগে । কিন্তু বদলি হলেই বহুতো সদস্যই মন্ত্ৰীৰ ওচৰলৈ আহে। এইটো অভ্যাস বন্ধ কৰিবলৈ চেষ্টা কৰিছো। মই নিজেও পাইছো বহুতোলোক বদলিৰ কাৰণে মোৰ ওচৰলৈ আহিছে । সেইসকলক কৈছো যে চৰকাৰৰ নীতি অনুসাৰি বদলি হলে বন্ধ কৰিবলৈ বা কোনোবা ঠাইত দিবলৈ এনেকৈ অহাটো উচিত নহয় ।

**Mr. Speaker** :— Question hour is over.

## MISCELLANEOUS

শ্ৰীগজেন তাঁতী ঃ— মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ জনমভূমি কাকতত এটা বাতৰি প্ৰকাশ হৈছে। বাতৰিটোত কোৱা হৈছে যে মৰিয়নিত বিৰাট অগ্নিকাণ্ড হৈছে। এজন লোকৰ মৃত্যু হৈছে। হাইস্কুল এখন ভস্মীভূত হৈছে। বিধান সভা চলি থকা সময়তে তাত হোৱা এই বিৰাট কাণ্ডৰ সবিশেষ বিতং খবৰ পোৱা হোৱা নাই। সেই কাৰণে বিষয়টো মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। যাতে এই বিধান সভা চলি থকা কালতে বিষয়টোৰ সবিশেষ বিতং বিৱৰণ সদনৰ জ্ঞাতাৰ্থে জনাব পাৰে। ইতিমধ্যে গৃহহীন হোৱা লোক সকলক মৰিয়নি কলেজত আশ্ৰয় দিয়া হৈছে আৰু কেম্প আদি পাতিও ৰখা হৈছে বুলি জনা গৈছে যদিও সাহায্য আদি পাইছে নে, নাই পোৱা, যদি পোৱা নাই সাহায্য আদি দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে ব্যৱস্থা লব লাগে আৰু এই বিষয়ক বিতং বিৱৰণ দিয়াৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে বিষয়টো জনালো।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) — এই বিষয়ৰ সবিশেষ খা-খবৰৰ কাৰণে উপায়ুক্তলৈ যোগাযোগ কৰা হৈছে। তেনে বিতং বিৱৰণ জনাব দিয়া হৈছে আৰু বিষয়টোৰ সবিশেষ আহি পালে জনাব পৰা হব।

Starred question No. 18 was not put,the

member being absent.

## CALLING ATTENTION

Shri M. Ibrahim Ali :— Sir, I beg to call the attention of the Minister, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Dainik Asom, dated 30th January, 1979 under the caption "বিশ্ববিদ্যালয়ৰ শিক্ষকৰ বিক্ষোভ".

*শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষামন্ত্ৰী ) :— এই সম্পৰ্কত এটা বিবৃতিৰে গোটেই কথা খিনি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সদনত জনাব বিচাৰিছো। গুৱাহাটী বিশ্ববিদ্যায় শিক্ষক সন্থাই ১৯৭৮ চনৰ জানুৱাৰী মাহৰ পৰাই কেবাটাও প্ৰশ্নৰ সম্পৰ্কত দাবী কৰি আহিছে। যোৱা ১৯৭৯ চনৰ জানুৱাৰী মাহৰ ৩ তাৰিখে সৰ্ব্বমুঠ ৯ টা প্ৰশ্নৰ সম্পৰ্কত দাবী পুণৰ উত্থাপণ কৰে আৰু একে মাহৰ ১২ তাৰিখে সন্থাই কৰ্ত্তৃপক্ষৰ লগত অসহযোগ কৰিবলৈ প্ৰস্তাৱ লয়। জানুৱাৰী মাহৰ ২২ তাৰিখে উপাচাৰ্য্যই সন্থাৰ প্ৰতিনিধি সকলৰ লগত আলোচনা কৰে আৰু তেওঁলোকক সহযোগ কৰিবলৈ অনুৰোধ কৰে যিহেতু সন্থাৰ সকলো দাবী কৰ্ত্তৃপক্ষৰ বিবেচনাধীন হৈ আছে। জানুৱাৰী মাহৰ ২৯ তাৰিখে বিশ্ববিদ্যালয় - কোৰ্টে "( Court ) উপাচাৰ্য্যক আৰু কাৰ্য্যনিৰ্ব্বাহক পৰিষদক আলাপ আলোচনাৰ

* Speech not corrected

মাধ্যমেৰে দাবী সমূহ পূৰণ কৰিবলৈ অনুৰোধ কৰে আৰু বিশ্ব-বিদ্যালয়ৰ শিক্ষক সন্থাক বিশ্ববিদ্যালয়ৰ সামগ্ৰীক স্বাৰ্থৰ খাতিৰত তেওঁলোকৰ আন্দোলন সাময়িকভাবে প্ৰত্যাহাৰ কৰিবৰ বাবে আহ্বান জনায়।

বিশ্ববিদ্যালয় কোৰ্টৰ প্ৰস্তাৱ অনুযায়ী উপাচাৰ্য্যই শিক্ষক সন্থাৰ প্ৰতিনিধিৰ লগত পুণৰ আলোচনা কৰে আৰু আলোচনাক্ৰমে এটা চুক্তিত উপনীত হয় আৰু শিক্ষক সন্থাই যাৱতীয় কাম-কাজ চলোৱাত কৰ্ত্তৃপক্ষৰ লগত সহযোগ কৰিবলৈ সদস্য সকলক আহ্বান জনায়। কাৰ্য্যনিৰ্ব্বাহক পৰিষদে উক্ত চুক্তি কাৰ্য্যকৰী কৰিবলৈ সম্প্ৰতি বিবেচনা কৰি আছে। শিক্ষক সন্থায়ো বিশ্ববিদ্যালয়ৰ কামত বৰ্ত্তমান সহযোগীতা আগবঢ়াইছে।

শ্ৰীএম ইব্ৰাহীম আলি :— যদি বিবেচনাধীন হৈ আছে এইটো সম্পূৰ্ণ কেতিয়াকৈ হব সেই বিষয়ে কিবা সময় মন্ত্ৰী মহোদয়ে দিব পাৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষামন্ত্ৰী ) :— যিহেতু বিশ্ববিদ্যালয়ে ইতিমধ্যে আলোচনা কৰিছে আৰু ইতিমধ্যে চুক্তি হৈ গৈছে সেই মতে কাৰ্য্যনিৰ্ব্বাহক সদস্য সকলৰ লগতো আলোচনা কৰিছে, গতিকে ঠিক কেতিয়া হব বুলি পিচতহে জনাব পৰা হব।

## MATTER UNDER RULE— 301

শ্ৰীহৰেন্দ্ৰ নাথ দেৱ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ

প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি 'বৰদুৱাৰ চাহ আৰু কাঠ বাগানৰ বৰ্ত্তমান পৰিস্থিতি' সম্পৰ্কীয় বিষটো সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো। এই বাগান খনৰ অৱস্থা বেয়াৰ পৰা বেয়ালৈহে ঢাল খাইছে। পাছ কিলো-মিটাৰ জোৰা এই বাগান খনত এতিয়ালৈকে নতুন কোনো চাহ গছ আদি ৰোৱা হোৱা নাই। বৰঞ্চ ইয়াত থকা শাল, সোনাৰু আদি মূল্যবান কাঠ বিলাক কাটি শেষ কৰা হৈছে। সেই বিলা-কৰপৰা চৰকাৰে ৰাজহ আদি পাব লাগিছিল যদিও আচলতে তাৰ পৰা চৰকাৰে কোনো ধন পোৱা নাই। যোৱা কেইবছৰ মানৰ পৰা তাৰ কৰ্ম্মচাৰী সকলে চৰকাৰৰ ওচৰত নানান বিষয় লৈ দৰ্খাস্ত কৰি আহিছে কিন্তু সেইবিলাকৰো কোনো নজৰ চৰ-কাৰৰ ফালৰ পৰা দিয়া হোৱা নাই। ছয় সাত জন মাত্ৰ স্থায়ী কৰ্ম্মচাৰী আছে। বাকী বিলাকক চাটাই কৰা হৈছে। কেজু-ৱেল কৰ্ম্মচাৰী নিতান্ত কম। নাই বুলিবই পাৰি। লেবাৰ বিলাকে আপত্তি আজি বহুদিনৰ পৰাই কৰি আহিছে। মালিক থাকে কলিকতাত। মালিকৰ সম্পৰ্কীয় এজন থাকে শ্বিলঙত গতিকে বাগান খন চোৱাচিতা কৰিবলৈ কোনো নাই। মেনেজাৰ নাই। কৰ্ম্মী সকলক দিবলগীয়া সা-সুবিধা একো দিয়া হোৱা নাই। গ্ৰেচুইটি নাই, পেনচনৰ ব্যৱস্থা নাই, ভবিষ্যনিধিৰ ব্যৱস্থা নাই। চিকিৎসাৰ কাৰণে ডাক্তৰ কম্পাউণ্ডৰ নাই, নাৰ্চ নাই। কেবাবছৰো ধৰি এই বিলাক আপত্তি জনাই থকা স্বত্ত্বেও আজি-কোপতি একো কৰা হোৱা নাই। সেই কাৰণে এই বাগান খন চৰকাৰে অধিগ্ৰহণ কৰি সোনকালেই এটা ভাল ব্যৱস্থা কৰিব লাগে। এই বিধান সভাৰ পৰা বিধায়কৰ সজাতি দল এটা গৈ চাই আহিবও পাৰে। তেতিয়াহলে কথাটো ভালদৰে অধ্যয়ন কৰিব পাৰিব। মই মন্ত্ৰী মহোদয়লৈ ব্যক্তিগত ভাৱেও দুখন চিঠি

লিখিছিলো, মোলৈ উত্তৰ দিয়া নাই। যদি বিভাগলৈ ব্যৱস্থা লবলৈ পঠিয়াইছে সেইটো কব নোৱাৰো। সেইকাৰণে বিধান সভাৰ যোগেদি বাগান খন চৰকাৰে নিজে পৰিচালনা কৰিবলৈ অধিগ্ৰহণ কৰিব লাগে বুলি পৰামৰ্শ দি বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এই সম্পৰ্কত সবিশেষ বিধান সভাত জনোৱাৰ কাৰণে কথাটো উত্থাপন কৰিলো।

**Shri Jagannath Sinha ( Minister Industries )** :— Sir, this garden is an extreme case of gross negligence and criminal mismanagement. This is more a forest than a garden. This garden is owned by one Mr. P. C. Bhatia of Calcutta. Sir, you will be surprised to know that this garden was run by the head-clerk. Only very recently one Mr: Sharma has been appointed as Manager of the garden. The estate has got 384.09 Hectares under tea with more than 50 per cent land vacant. Its total grant is 1913. 50 Hectares. The crop made in the garden since 1973 are as under :

| | |
|---|---|
| 1973— | 1,43,544 Kg. |
| 1974 – | 1,24,302 Kg. |
| 1975— | 1,02,222 Kg. |
| 1976 — | 1,04,150 Kg. |
| 1977— | 1,16,182 Kg. |

Its present roll strength consists of the following :—

(1) Staff— 14

(2) Artisan— 11

(3) Ordinary workers ( Resident )

| | Male | Female | Adolescent | |
|---|---|---|---|---|
| | | | Male | Female |
| Permanent | 78 | 53 | | |
| Temporary | 50 | 34 | 10 | 12 |

(b) Ordinary workers ( Non-Resident )

| | | | | |
|---|---|---|---|---|
| Permanent | 11 | 17 | | |
| Temporary | 31 | 8 | 8 | 4 |

As regards payment to the workers and the members of the staff, the garden was defaulting ocassionally. But at the moment no wages are outstanding against the workers or the members of the staff. In the later case only some arrears are outstanding. These arrears accrued to them on account of fitment from the old scale to the new scale. The management had entered into a bilaterial agreement with the members of the staff to pay them these arrears by instalments within the year 1979.

As regards other amenities, there are 10 Pucca atandard houses, 22 semi-pucca standard houses and 163 non-standard kutcha houses to houses the workers. The estate has got a dispensary with four detention beds with a pharmacist and a nurse-cum-midwife. A non-resident Doctor pays visit to the dispensary twice a week. There is no hospital in the garden. It is required to maintain a hospital under the provision of the Assam Plantations Labour Rules, 1956 ( as amended ). Recretional facilities, crech facilities and canteen facilities have not also been provided so far. Umbrellas and blankets have been provided last year. The management also issued chappals but the workers did not accept them on the ground that they were substandard. Annual leave with wages have been allowed to all workers entitled to it. So, also Maternity Benefit and Sickness Benefit.

As regards Payment of Bonus, it has been paid up to the accounting year ending in 1976. In other words, bonus for the accounting year 1977 and 1978 are yet to be paid. The union representing the workers has not so far raised any dispute on bonus for these two accounting years.

The garden was prosecuted in 1975 for breaches of the provisions of the Plantations Labout Act, 1951 in respect of Medical Facilities and Annual leave with wages. They were also prosecuted for breaches of provisions of the Maternity Benefit Act, 1961. They were fined Re. 50 for brecahes of the provisions of the Maternity Benefit Act and the other case filed under the Plantations Labour Act has not yet been disposed of. Two more criminal cases have been filed for breaches of the provisions of Plantations Labour Act, 1951 against this management. One is for non-submission of the Annual Return for the year ending 31st December, 1976 and the other is for breaches of the provisions in respect of medical facilities, creches. recretional facilities and protective materials. These two cases were filed on 31.8.77 and 19.6.78 respectively. They are also yet to be disposed of.

The Government requisitioned 1600 bighas of land from this garden in 1952 and another 500 bighas in 1974. It is alleged by the management that no compensation has so far been paid to them for the land so acquired.

We suggest that the Government of India

be moved to take over the management of this garden under the amended provisions of the Tea Act as early as possible, as this garden has been dwindling year by year under this management and as there has been no improvement in any respect for several years past. No concrete steps have as yet been taken by the management to replant the old areas and as already said earlier, the workers have also not been being provided with amenities they are required to be statutorilly provided.

As regards payment of wages this management is famous for its irregularities.

Sir, I am sorry that I cauld not reply to the letter of the Hon'ble Member. I can assure you that I always reply to the letters received by me; probably due to postal difficulties or for some other reasons the letter may have got misplaced. However, action has been taken on the subject matter of the letter.

Sir, after this Government came in power, we are very much concerned about such problems. We wanted that these gardens be taken over by

the Government. But in the schedule of the Industrial (Development & Regulation) Act, there is no mention about tea. So, such gardens could not be taken over. Now Sir, Tea Act has been amended and under the Act such gardens Can be taken over. We have already taken up with the Govt. of India so that these gradens be taken over. Sir, you would be glad to know that in the district of Cachar gardens like Chargola singlachera and Patni Tea Estates have been taken over by Tea Trading Corpn. Under the Tea Act. But so far as such gardens are concerned, the matter has been taken up with the G, O, I to take over such gardens and ask the Tea Trading Corpn. of India to hand over the management to Assam Tea Corporation to run the gardens.

Shri Noorul Huda :— Sir, the Minister has clearly expressed criminal negligence of the management of the Borduar Tea Estate. I would like to know from the Minister as to what results were obtained by prosecuting the management of this tea estate and I would also like to know which Unions are working in this particular tea estate. These two questions should be replied.

Shri Jagannath Sinha ( Minister ) :— Sir, there is again

irony of fate : In the Plantation Act there is no provision for penalty for continuing offences and that is why they violated this, and have been continuing with the offences. Sir, since Janata Government came into power, we took up with the Government of India and the Government of India is seriously considering the matter. The Union Labour Minister discussed the matter and invited me in the month of March '79 for detail discussion regarding amending the porvision for making the punishment provision for continuing offences. About the union, ACKS and ACM S have been functioning. The have submitted representations and action has been taken accordingly. Sir, you might have seen from these figures that the number of casual, temporary and 'faltu' workers are much more than the permanent labourers. Just to deprive the workers from getting certain statutory benefits such as housing, living wages, medical benefits, gratuity and other things, the number of permanent workers has been reduced and the number of casual works have been increased. Sir, this matter has already been taken up with the Government of India so that the employment ofcasua labourers should be regularised, and tha temployment of casual labourers should be restricted only to 4 months, that is for the peak season and that also shou-

ld be to the extent of 20% of the permanent workers, and the Hon'ble Union Minister has assured me that he will definitely consider it, and for your information, Sir, I like to say that this Government has already passed an order prohibiting employment of contract labourer in the tea garden areas.

Shri Giasuddin Ahmed :— Sir, the hon'ble Minister has said that some gardens have been taken over by the Tea Trading Corporation of India. Whether the Government will consider the question of handing over these gardens to our Tea Corporation, that is, the Assam Government Tea Corporation.

Shri Jagannath Sinha ( Minister ) :— Yes, Sir, we have taken this up with the Government of India with the request that they should take over the gardens first and then hand over these to our Corporation, that is, ATC so that we can manage it.

Shri Premadhar Bora :— Sir, I am thankful to the hon'ble Minister for his frank admission. Now, I want to know how long they will take to take action against the unscrupulous management of tea industries to save the labourers and to have a good

management ?

Shri Jagannath Sinha ( Minister ) :— Sir, action has already started and this is in the process. This is not in our hands, but sir, no stone will be left unturned to do the needful in this respect by this Government.

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এই কথা জানিব বিচাৰিছো যে যোৱা দশকৰো বেছি কালচোৱাৰ ভিতৰত চাহ বাগিছাৰ এৰিয়া বাঢ়ি গৈছে। কিন্তু পাৰমেনেণ্ট লেবাৰৰ ষ্ট্ৰেংথ কমি গৈছে। আনহাতে কেজুয়েল লেবাৰ, চাইল্ড লেবাৰ আৰু ফাল্টু লেবাৰৰ সংখ্যা বৃদ্ধি হৈছে। ইয়াৰোপৰি ইংৰাজ কোম্পানীৰ দিনত বাগান অনুপাতে ষ্টফ যিমান আছিল এতিয়া চাহ বাগানৰ অঞ্চল বৃদ্ধি হোৱা স্বত্তেও আৰু বহুতো পদৰ প্ৰয়োজন থকা স্বত্বেও সেই খালি পদসমূহ পূৰণ নকৰি বাগান বিলাক চলাই থকা হৈছে। এই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ দৃষ্টি-গোচৰ হৈছেনে ? মোৰ দ্বিতীয় প্ৰশ্ন হ'ল যে ১৯৬৯ চনত চাহ মালিক আৰু আই, এন, টি, ইউ, চিৰ মাজত এটা চুক্তি হৈছিল যি চুক্তিৰ ফলত ১৯৬৯ চনত যিমান পৰিমাণৰ স্থায়ী লেবাৰ আছিল সেই সংখ্যা এতিয়া কমিছে। ইয়াৰ ফলত চাহ বাগিছা সমূহত নিবনুৱা মজদুৰৰ সংখ্যা বাঢ়ি গৈছে। যদি এইটো সত্য হয় তেন্তে সেই চুক্তি বাতিল কৰি বৰ্ত্তমান পৰিস্থিতিত নতুনকৈ নিয়োগ কৰিবৰ কাৰণে চৰকাৰে মেনেজমেণ্টক বাধ্য কৰাব পাৰিবনে ?

Shri Jagannath Sinha ( Minister ) :— Sir, it is very difficult to fix the land-labour ration in tea plantation; it varies from garden to garden, & seection to secton in the same garden. Sir, the Government of Bengal some 15 years back appointed one KADER NAWAJ committee to go into such land-labour ratio but it has failed. The Government of India also set up a committee. Hon'ble member, Shri Tanti has said that there was an agreement; I say, Yes, there was come sort of an agreement. Whatever decission is taken in the Standing Laborur Committee between both the Employers and the Employees, it can be termed as an agreement, and that agreement was there. And as per that agrreement the employers were supposed to maintain Roll as on 1.1.1969 plus additional employment of 15,000 laborers. But, Sir, you know their motives. But what I have found, as I have stated earlier, the number of permanent labourers has gone down and the number of casual laborers and 'faltu' labourers has gone up, Why ? The reasion is that if permanent labourers are appointed, it is the legal obligation of the management to give them housing benefit, living wages, provident fund benefits, medical benefits and so on so forth. The Management cannot ask permanent

labourers to dance to tune of the management because the permanent labourers will be protected under the Labour Laws. But if casual labourers are there, they can be made to dance to the tune of the management. Sir, if we go through the curve, we will see that the number of permanent labourers has come down and the number of casual labourers has gone up. For this purpose, as I have already stated, we wanted that there should be restriction to the employment of these casual labourers. This is unfair labour practice and this is a kind of exploitation. So, sir, we have given suggetion to the Government of India that the employmeni of casual labourers should be restricted to only four months of the year, that is during the peak season and that too to the extent of 20% of the permanent labourers, and the hon'ble Union Minister has assured me that he will consider the matter very sympathetically.

If that is done, then, this unfair labour practice would be stopped. Sir, previously, the Management used to engage contractors. A Sardar could be appointed a contractor and be given so many acres of land at some rate and then that

man engaged ordinary labourers at a very nominal rate of pay, and because of getting employment and also because in the vicinity of the gardens, there is no scope of employment, the workers had no other alternative but to surrendre themselves to the contrators for employment on a very nominal pay. That is why, after this Goveonment came into power, the Government have abolished the practice of engaging contractors by the Tea Gardens Management. Sir, on 1.1.1969 there was an Agreement by which it was agreed that 15,000 labourers shall have to be taken in the gardens; a few months back there was another agreement and in that ageement it has been mentioned that 25000 new permanent employment shall have to be given to the tea gardens and also that the previous 15000 labour shall have to be maintained. If you go to the district of Goalpara, you will see that the strengh of permanent workers has been reduced to 50%. Similar is the case with regard to Kamrup district variation is only Dibrugarh district. Almost everywhere, the number of permanent labour has come down; similar is the case in the district of Cachar. So, sir, we have to check this. But most unluckily this Goverment is to act under the provisions of the

Plantation Laborur Act and so without the consent of the Government of India we cannot amend it and we are taking steps to get this amended.

শ্ৰীহৰেন্দ্ৰ গোস্বামী ঃ— মই জানিব বিচাৰিছো যে চাহ বাগিছা বিলাকত ধানৰ খেতি কৰিছে আৰু প্ৰতি বিঘাত ৩০ কে: জিঃ কৈ লৈ গৈছে এইটো কথা মন্ত্ৰীমহোদয়ে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী ) ঃ— এইটো মই জনা নাই । এইটো যাতে কৰিব নোৱাৰে তাৰ কাৰণে ষ্টেপ লোৱা হৈছে ।

Mr. Speaker :— Now item No.— pending resolution moved by Shri Shamsul Huda. Discussion remained inconclusive. Shri Huda may resume his speech.

## RESOLUTION

শ্ৰীচামচুল হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰস্তাৱ আগতে দাখিল ধৰা হৈছেই ।

শ্ৰীচুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰস্তাৱ আছে, তেখেতে মানি লয়নে নলয় মই নাজানো । কিন্তু মানি ললে ভাল হয় । প্ৰস্তাৱটো হৈছে, নগাওঁ-শিলঘাট ৰেল লাইনটো কম্পেনীৰ লাইন বুলি মই অলপ দিনৰ আগতেহে

জানিছো। গতিকে এই প্ৰস্তাৱটোৰ লগতে এইখিনি সংশোধনীও লগ কৰিলে আমাৰ কাম কৰিবলৈ সুবিধা হয়।

শ্ৰীচামচুল হুদা :— অধ্যক্ষ মহোদয়, এই সংশোধনীটো মানি লোৱাত মোৰ কোনো আপত্তি নাই।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা সংশোধনী প্ৰস্তাৱ আছে।

উপাধ্যক্ষ মহোদয় :— আগতে এখেতক ম'ভ কৰিবলৈ দিয়ক।

* শ্ৰীচামচুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটোত কোৱা হৈছে যে এই বিধান সভাই কৃষি আৰু আন আন ৰাজহুৱা সেৱা-সমূহৰ স্বাৰ্থত শেনচোৱা, মৈৰাবাৰী ৰেল লাইনটো লাহৰিঘাট, ভূৰাগাওঁ, মৰিগাওঁ, আৰু ভকটগাওঁ হৈ জাগিৰোডলৈকে বৃদ্ধি কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত প্ৰস্তাৱ জনাবলৈ অসম চৰকাৰক অনুমোদন জনায়। অধ্যক্ষ মহোদয়, যোগাযোগৰ ফালৰ পৰা এই অঞ্চলটো অতি পিছপৰা। এই অঞ্চলটো নগাওঁ জিলাৰ পশ্চিম অংশত অৱস্থিত। বৰ্ত্তমান ইয়াৰ অধিকসংখ্যক লোকেই খেতিয়ক। বৰ্ত্তমান এই মৰিগাওঁ মহকুমাটো জিলালৈ উন্নিত কৰাৰ কাৰণে সিদ্ধান্ত কৰা হৈছে। উপাধ্যক্ষ মহোদয়, বৃটিছৰ দিনতে বৃটিছ চৰকাৰে অসমত যেতিয়া ৰেল লাইন প্ৰতিষ্ঠা কৰে সেই সময়তে অসমৰ কৃষি অঞ্চলৰ মাজেদি যোগাযোগৰ ব্যৱস্থা হিচাবে ৰেল

* Speech not corrected

লাইন সম্প্ৰসাৰিত কৰে। ৰেল লাইন সম্প্ৰসাৰিত কৰিবৰ কাৰণে মাৰ্টিন কোম্পানীয়ে চাপৰ মুখৰ পৰা শিলঘাটলৈ এটা ৰেল লাইন নিয়ে। সেই সময়ৰ পৰাই এই চাপৰমুখ শিলঘাট ৰেল লাইনটো মাৰ্টিন কোম্পানীৰ তলতে আছে। যিটো সম্পৰ্কত মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে। যিটো লাইন আমি জনাত চৰকাৰে ক্ষতি পূৰণ দি চৰকাৰৰ তললৈ আনিব পৰা নাই, এই লাইনটো শেনচোৱা জংনচনৰ পৰা মৈৰাবাৰীলৈকে বৃটিছৰ দিনতেই সম্প্ৰসাৰণ কৰা হৈছিল। তেতিয়া আমি জনাত যি ঠাইৰ ওপৰেদি ৰেল লাইনটো হ'ব সেই ঠাইত কিছুমান অৰস্থাপন্ন মানুহৰ মাটিৰ ওপৰেদি লাইনটো যোৱাৰ কাৰণে এই লাইনটো বন্ধ কৰি দিয়া হৈছিল। এই গোটেই অঞ্চলটো কৃষি প্ৰধান অঞ্চল। এই অঞ্চলটোত বহুদিনৰ পৰাই যোগাযোগৰ কোনো ব্যৱস্থা নাই। এই অঞ্চলটোত ভাল ধান উৎপাদন হয়, মৰাপাট উৎপন্ন হয়, ইয়াত ডাঙৰ ডাঙৰ বিল আছে, মাছৰ মহল আছে। সেই ফালৰ পৰা এই অঞ্চলটো মৎস্য উৎপাদনৰ কাৰণে উন্নত অঞ্চল। আনকি গাখীৰো এই অঞ্চলত প্ৰচুৰ পৰিমানে উৎপাদন হয়। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে অসমত জলসিঞ্চনৰ জৰিয়তে যিবখো ধানৰ খেতি কৰাৰ ব্যৱস্থা কৰিছে সেই ব্যৱস্থাৰ দ্বাৰা নগাঁও অঞ্চলৰ ভিতৰতে মায়ং, ভূৰাগাঁও অঞ্চলত প্ৰাচুৰ্য্য পৰিমাণৰ খেতি কৰা হৈছে। সেই অঞ্চলত কৃষি কাৰ্য্যৰ সুবিধাৰ কাৰণে ১০ কেজি কঠিয়া আনৰ পৰা আনিব লগীয়া হলে, আনিবলৈ কোনো ব্যৱস্থা নাই। ভূৰাগাৰলৈ মাত্ৰ এটা বাটৰ লাইন আছে সেইটো বাৰিষা বাদেই খৰালীও মাজে মাজে বন্ধ হৈ থাকে। তাৰ ফলতেই সেই অঞ্চলৰ খেতিয়ক ৰাইজে দুৰ্ভোগ ভূগিব লগীয়া হৈছে। বাৰিষা যেতিয়া এই ৰাস্তা বেকা

হৈ থাকে তেতিয়া ৰাইজৰ চলা চল কৰিবলৈ কোনো ৰাষ্টা নেথাকে। কৃষিৰ সা-সজুলীৰ সুবিধাৰ যোগান তালৈ ধৰিব নোৱাৰে। কৃষি কৰিবলৈ যি ট্ৰেক্টৰৰ প্ৰয়োজন হয়, পাম্পৰ প্ৰয়োজন হয়, সাৰৰ প্ৰয়োজন হয় সেই বিলাক তালৈ নিবলৈ বহুত কষ্ট কৰিব লগীয়া হয়। কিবা এটা বস্তু তালৈ পঠিয়াবলগীয়া হলে সেই ঠাই গৈ পাওঁতে তিনি মাহ সময় লাগে। তালৈ ট্ৰাক যাব পৰা ব্যৱস্থা নাই, বাছ যাব পৰা ব্যৱস্থা নাই। এনে অৱস্থাত খেতিয়কে উত পাদন কৰা সামগ্ৰী অতি পানী দামত বিক্ৰী কৰি দিবলৈ বাধ্য হয়। নগাওঁৰ পৰা আৰম্ভ কৰি প্ৰায় ৩১ মাইল জুৰি জাগিৰোডলৈকে যিটো বৃহত অঞ্চল, তাত প্ৰায়বিলাক মানুহেই প্ৰধানকৈ ধান, মৰাপাট আৰু বিশেষকৈ মাছৰ খেতি কৰে। যিবিলাক মাছ আমি গুৱাহাটি চহৰত খাবলৈ পাওঁ ১৫-২০ টকাত সেই বিলাক মাছ মৰিগাওঁৰ পৰা মাত্ৰ চাৰি-পঁাচ টকাত প্ৰতি কিলোগ্ৰামত খেতিয়ক সকলে বিক্ৰী কৰি দিয়ে। গুৱাহাটীৰ অন্যান্য ব্যৱসায়ী সকলে অতি কম দামতে খেতিয়কৰ উত্পাদিত সামগ্ৰী কিনি লৈ আনে আৰু ইয়াত বহুতো বেছি দামত বিক্ৰী কৰিবলৈ সুবিধা পায়। তেনেকৈ মৰাপাটৰ ক্ষেত্ৰত দেখা যায় যে গুৱাহাটীৰ ব্যৱসায়ী সকলে প্ৰতি গাঠত ১৫-২০ টকাকৈ কিনি আনি ইয়াত চাৰি গুণ দামত বিক্ৰি কৰিবলৈ সুবিধা পায়। ইয়াৰ ফলত খেতিয়ক সকলে নিজৰ শ্ৰমৰ প্ৰকৃত মৰ্য্যদা উপভোগ কৰিবলৈ সুবিধা নেপায়। বৰ্ত্তমান চৰকাৰে কৃষিৰ ক্ষেত্ৰত যি আধুনিক পদ্ধতিৰ সা-সজুলি কৃষি উত্পাদন বৃদ্ধি কৰিবৰ কাৰণে প্ৰয়োগ কৰিবলৈ ব্যৱস্থা লৈছে, সেই ব্যৱস্থা এই কৃষি প্ৰধান অঞ্চলটোত প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে এই বৃহত অঞ্চলটোৰ

মাজুলি ৰেল লাইন আৰু বাচ চলাচলৰ সুবিধাৰ বাবে যোগা-যোগৰ ব্যৱস্থা অতি সোনকালে কৰাৰ প্ৰয়োজন আছে। এই বিষয়টোৰ প্ৰতি গভীৰ ভাৱে চৰকাৰে চিন্তা কৰিব লাগে।

অন্যহাতেদি খেতিয়ক সকলে তাৰ উত্পাদনৰ বস্তু অতি কম দামত বিক্ৰি কৰিবলগীয়া হয়। ইয়াৰ উপৰিও অধ্যক্ষ মহোদয় আমি সকলোৱে জানো যে জাগীৰোডত এটা পেপাৰ মিল প্ৰতিস্থা কৰাৰ কাৰণে ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে। এই পেপাৰ মিলৰ লগতে এই বিৰাট অঞ্চলটো বিশেষকৈ যিটো মৰিগাওঁ চাব-ডিভিজন, সেইটো জিলালৈ উন্নিত কৰিবলৈ ব্যৱস্থা কৰা হৈছে যদিও এই বিৰাট অঞ্চলটো আজিও যোগাযোগৰ পৰা বিচ্ছিন্ন। তাৰ লগতে জাগীৰোড পেপাৰ মিলত যোগাযোযৰ প্ৰতিস্থা কৰা আৰু বিভিন্ন সৰু ডাঙৰ শিল্প গঢ়িবলৈ কৃষি ফাৰ্ম হওঁক বা পিচি কালচাৰ কৰিবলৈ যাওঁ তেতিয়াহলে যোগাযোগৰ ব্যৱস্থা নিশ্চয় উন্নত হব লাগিব। নহলে সেই অঞ্চল বিলাক চিৰকালেই পিচপৰি থাকি যাব। সেই কাৰণেই সেই ফালৰ পৰা আজি আমাৰ ৰেলৱে লাইনটো সম্প্ৰসাৰণ কৰাৰ কাৰণে বাৰুকৈয়ে প্ৰয়োজন বোধ কৰিছো। ৰেলৱে ক্ষেত্ৰত এটা চাৰভে প্ৰয়োজন। বাচেৰে আমি কম দূৰত্বত যিকোনো ঠাইলৈ জাপ মাৰি উঠিব পাৰো আৰু নামিব পাৰো। কিন্তু দূৰ ঠাইলৈ যাবলৈ হলে ৰেলৱে সুবিধা আছে। বাচেৰে সিমান সুবিধাজনক নহয়। কেৱল ৰেলৱেত যাত্ৰীয়েই চলাচল নকৰে। তাত কৃষিজাত উৎপন্ন বস্তু, মৎস্য উৎপন্ন বস্তু বা অইন মাল ইত্যাদি অতিকম ভাৰাতে বহুত দূৰলৈ অনা নিয়া কৰিবলৈ সুবিধা হয়। মত্স্য উত্পাদিত বস্তু কৃষিজাত উত্পদিত বস্তু ইত্যাদি বিলাক

কম মূল্যত কঢ়িয়াই নিবলৈ আজি ৰেলৱেৰ প্ৰয়োজন গুৰুত্বপূৰ্ণ। এতিয়া সদনক ফলদকণ্টল বা ফিছাৰী বিভাগৰ মন্ত্ৰী মহোদয় থকা হলে দৃষ্টি আকৰ্ষন কৰিলেহেঁতেন। এই ৰেলৱে চাৰভিচৰ যোগাযোগ উন্নত কৰিব পাৰিলে আমি কৃষি আৰু অন্যান্য উদ্যোগৰ সা-সজুলিবোৰ অতি কম মূল্যতে আৰু কম সময়ৰ ভিতৰতে পিচপৰা ঠাই সমূহলৈ সহজেই কঢ়িয়াই নিব পাৰো। অকল সেইটোৱেই নহয় ইয়াৰ দ্বাৰা গুৱাহাটীৰ লগত জাগীৰোড বা ভাৰতৰ্ষৰ অন্যান্য ঠাইৰ লগত এই পিচপৰা ঠাই অঞ্চল বিলাকৰ যোগাযোগ প্ৰতিস্থা কৰাৰ কাৰণে সুবিধা হব। তাৰোপৰি এই ৰেলৱে লাইনৰ জৰিয়তে আমাৰ যি বানপানী সমস্যা আছে সিও কিছু সমাধান হোৱাত থল আছে। ব্ৰহ্মপুত্ৰ যেতিয়া বাঢ়ি আহে তাৰ লগে লগে এই বিৰাট অঞ্চল বিলাক পানীৰে ভৰি যায়। কিন্তু এই ৰেলৱে লাইন যদি নিৰ্মাণ কৰি দিব পৰা যায় তেতিয়াহলে বানপানী এই অঞ্চলত সোমাই অহাত বহু পৰিমাণে বাধাৰ সন্মুখীন হব। আৰু তেতিয়া আমাৰ খেতি পথাৰ বিলাক বানপানীয়ে ধ্বংশ কৰিব নোৱাৰিব। গতিকে ৰেলৱে লাইন বিলাক নিৰ্মাণ কৰাৰ আগতে ৰেলৱে বিভাগে আমাৰ বাননিয়ন্ত্ৰণ, ইৰিগেচন ইত্যাদি বিভাগৰ লগত যোগাযোগ ৰাখি আৱশ্যক হলে ব্ৰীজ কাম-শুইছগেট কৰিব পৰা হব আৰু তাৰ দ্বাৰা বানপানী সমস্যা বহুখিনি আতৰ হব। এই ৰেলৱে লাইন নিৰ্মাণ কৰাৰ কাৰণে এই বিভাগ সমূহৰ লগত যোগাযোগ ৰাখি নতুন ডিজাইনেৰে ৰেলৱে লাইটো এলাইনমেন কৰিব লাগে আৰু নিৰ্মাণ কৰিব লাগে। তেতিয়া যোগাযোগ ব্যৱস্থা সুবিধা হোৱাৰ লগতে বানপানী সমস্যাও বহু পৰিমাণে লাঘব হব।

অধ্যক্ষ মহোদয়, আচৰিত কথা যে বৃটিছৰ দিনৰ পৰাই

তাত যেতিয়াৰ পৰা জনবসতি আৰম্ভ হয় তেতিয়াৰ পৰাই এই মায়ং, ভকতগাওঁ ইত্যাদি অঞ্চল বিলাক পিচপৰি আছে। এই অঞ্চল বিলাকতেই বেচি ভাগ অনুসুচিত জাতি আৰু জনজাতি লোক সকলে বাস কৰি আছে। আজি চৰকাৰে এচ, চি আৰু এচ, টিৰ নামত চাকৰি আৰু নিযুক্তিৰ ক্ষেত্ৰত সুবিধা দিয়াৰ কাৰণে এখন বিল আনিছে। কিন্তু অকল বিল আনিলেই হব জানো। যদিহে এই বিৰাট ঘনবসতি অঞ্চল যোগাযোগৰ পৰা বিচ্ছিন্ন হৈ থাকে। এই অঞ্চলটো আগৰ পৰাই পচি থকাৰ নিচিনাকৈ পৰি আছে। ইয়াক অসমৰ কলীয়া পানী বুলি কব পাৰি। যদি এই-দৰে ৰখা হয় ৰিজাৰ্ভেচন ৰাখি ৩০ বছৰেও লোকসকলৰ উন্নতি সাধন কৰাটো সম্ভৱপৰ নহয়। গতিকে এই অঞ্চল বিলাকলৈ ৰেলৱে লাইন সম্প্ৰসাৰণ কৰাৰ কাৰণে বিশেষ আৱশ্যক হৈ পৰিছে। সেই ফালৰ পৰাই মই আপোনাৰ জৰিয়তে নতুন চৰ-কাৰক অনুৰোধ কৰিব বিচাৰিছো যে মৈৰাবাৰী, শেনচোৱা, ভকত-গাওঁ, লাহৰিঘাট, মৰিগাওঁ, জাগীৰোডৰ লগত ৰেলৱে লাইনটো লগ লগাই দিব লাগে। ইতিমধ্যে চৰকাৰে মৰিগাওঁ নতুনকৈ গঢ়াত প্ৰস্তাৱ লোৱাৰ লগতে মৰিগাওঁ সদৰ ঠাই হব। যেতিয়া এই লাইনটোৱে মৰিগাওঁ চুই যাব তেতিয়া অসমৰ বিভিন্ন অঞ্চলৰ লগত যোগাযোগ প্ৰতিস্থা হব। যোৱা ৩১ বছৰে আমাৰ সন্মুখত আৰু সোকাষে বহি থকা সকলকো কওঁ যে অঞ্চলটো যোগাযোগৰ পৰা বিচ্ছিন্ন কৰি ৰখাৰ কাৰণে সেই অঞ্চলৰ মানুহ বিলাকক কোনো উন্নত কৰিব পৰা নগল। সেয়েহে মই সকলো বন্ধুক আপো-নাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যাতে তালৈ ৰেলৱে লাইন সম্প্ৰসাৰণ কৰি কৃষি, মত্‌স্য, শিক্ষা সংস্কৃতি সকলো ফালৰ পৰা এই মানুহ বিলাকৰ উন্নতি কৰিবৰ কাৰণে চিন্তা

কৰে। যি কাৰণেই নহওঁক আজি মায়ং নামটো সকলোৱে ঘৰে ঘৰে জানে। আনকি পৃথিবীৰ বহুত ঠাইয়েও জানে। ইয়াক যাদু ঠাই বুলি কোৱা হয়। কি আছিল কব নোৱাৰো। সেই অঞ্চল আজিও পিচপৰি আছে। সেই কাৰণে পুণৰ মই সকলো মাননীয় সদস্যকে অনুৰোধ কৰো যাতে ৰেলৱে লাইনটো মৈৰাবাৰীৰ পৰা জাগীৰোডলৈ সম্প্ৰসাৰণ কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা ৰেলৱে লাইনৰ লগত সংযোগ কৰি অসমৰ বিভিন্ন ঠাইৰ লগত, ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ লগত আৰু আৱশ্যক হলে পৃথিবীৰ অন্যান্য ঠাইৰ লগতো যোগাযোগৰ সুব্যৱস্থা গঢ়ি উঠে। লাহৰিঘাটলৈ যাতে পৃথিবীৰ মানুহে যাত্ৰা কৰিব পাৰে। এই খিনিকে অনুৰোধ কৰি প্ৰস্তাৱটো যাতে সমৰ্থন কৰে তাৰ কাৰণে পুণৰ মিনতি জনাই সাময়িক ভাবে মোৰ বক্তব্য ৰাখিলো।

Mr. Speaker :— There are two amendments, one from Shri Saharia and the other from Shri Jiban Bora. Normally one day's notice is required. But if the House has no objection, I may allow these to be moved. ( Voices—yes, yes ). So, these are allowed.

শ্ৰীৰমেশ চহৰীয়া ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীচাম্চুল হুদা ডাঙৰীয়াই যি প্ৰস্তাৱ দাঙি ধৰিছে ৰেলৱে লাইন সম্পৰ্কে সেই প্ৰস্তাৱ সমৰ্থন কৰি মই সংশোধনী আকাৰে কেইটামান লাইন তাত সংযোগ কৰিব বিছাৰিছো। আশা কৰোঁ মাননীয় সদস্যসকলে এই প্ৰস্তাৱক আৰু সংশোধনী খিনি গ্ৰহণ কৰিব আৰু তাৰ কাৰণে অনুৰোধ জনালো। প্ৰথম প্ৰস্তাৱত তেখেতে কৈছে

যে মৰিগাওঁ আৰু ভকত গাওঁহৈ জাগীৰোডলৈ যিহেতু এই অঞ্চলটো কৃষি প্ৰধান ৰাইজৰ সুবিধাৰ কাৰণে জাগীৰোডলৈ এই ৰাস্তাটো সম্প্ৰসাৰণ কৰিব লাগে।

**Mr. Speaker :—** The hon.member is to move the amendment first.

**Shri Romesh Chandra Saharia :—** Sir, after the word 'Bhakatgaon' and before the word 'in' in line 5 the following may be inserted. .........and also to extent broad gauge line from Rangia to Bhomuraguri bridge point and metre gauge line from Tangla to Dalgaon via Kalaigaon, Mangaldoi and Kharupetia, Chaparmukh to Silghat, from Khatakhat to Chairang and from Lekhapani to Jojun.

ইয়াৰ লগতে আমাৰ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে এই সংশোধনীতে আৰু দুটা লাইন সংযোগ কৰিবলৈ কৈছে, সেয়া হৈছে কাটাখাল পৰা চৈৰাং আৰু শিলঘাটৰ পৰা চাপৰমুখলৈ। আকৌ লেখা পানীহৈ জাগুংলৈ। অধ্যক্ষ মহোদয়, যোৱা ১৮ তাৰিখে ৰেলৰে বাজেটত আমাৰ কেন্দ্ৰীয় চৰকাৰৰ ৰেল মন্ত্ৰী মহোদয়ে ৰেল বাজেট দাঙি ধৰি যি বক্তৃতা দিছিল অসমখন পিচ পৰা ৰাজ্য হিচাপে অসমৰ বিষয়ে দিয়া সুদৃষ্টিৰ কাৰণে আমি সন্তোষ প্ৰকাশ কৰিছোঁ। ইয়াৰ আগতে ৰেল সম্প্ৰসাৰণৰ দাবী উঠিছিল আৰু সেই দাবীৰ পৰিপ্ৰেক্ষিতে ৰেল মন্ত্ৰী প্ৰফেছাৰ

দন্দৱত ডাণ্ডৱীয়াই পাৰ্লিয়ামেণ্টত এই ঘোষনা কৰিছে। ষষ্ঠ পৰিকল্পনাত কৃষি প্ৰধান অঞ্চললৈ ৰেল সম্প্ৰসাৰণ কৰিবলৈ লোৱাটো সন্তোষ জনক কথা। আগতে ৰেল বিভাগৰ তৰফৰ ইকনমিক চাৰ্জে কৰোতে এই দিশত লাভবান নহব বুলি অধিক গুৰুত্ব দিয়া হোৱা নাছিল। কিন্তু এই বাৰ উত্তৰ পূৱ অঞ্চলত ৬ টা লাইন সম্প্ৰসাৰণ কৰিবলৈ লোৱা হৈছে, কিয় এই ৬ টা লাইনৰ এটা লাইনো অসমৰ ভিতৰত নপৰে। বালিপাৰা ভালুকপুং হৈ অৰুনাচললৈ যিটো যাব সেইটো অসমত নপৰে। তাৰ পিচত মিজো পাহাৰত এটা লাইন দিছে। মেঘালয়লৈ এটা লাইন যাব সেইটো অসমত নপৰে। অকল বঙ্গাইগাওঁৰ পৰা গুৱাহাটীলৈ যিটো ব্ৰডগজ হব সেইটোহে পুৰাকৈ অসমত পৰিছে। ৰেল মন্ত্ৰী মহোদয়ে নিজেই কৈছে যে কৃষি প্ৰধান অঞ্চলসৈ এইবাৰ ৰেল লাইন সম্প্ৰসাৰণ কৰি ৰাইজৰ উপকাৰ কৰা হব। এই সন্দৰ্ভত অসম চৰকাৰৰ তৰফৰ পৰা যাতে এই কেইটা লাইন এইবাৰত অৰ্থাৎ ষষ্ঠ পৰিকল্পনাত অন্তৰ্ভুক্ত হয় তাৰ কাৰণে আমাৰ মন্ত্ৰী সভাই দাবী জনোৱা উচিত হব। এই ক্ষেত্ৰত মই পৰিবহন মন্ত্ৰী ডাণ্ডৱীয়াক অনুৰোধ কৰিব বিচাৰিছো যে ৰঙিয়াৰ পৰা ভোমোৰাগুৰিলৈ যাতে ব্ৰডগজৰ সম্প্ৰসাৰণ হয় তাৰ বাবে অনুৰোধ কৰিব লাগে। তাৰ পিচত ব্ৰহ্মপুত্ৰৰ দক্ষিন পাৰেদি নগাওঁৰ পৰা ভোমোৰাগুৰি দলংলৈকে এই লাইনৰ সম্প্ৰসাৰণ হব লাগে। আনহাতে দলগাওঁত এটা জুট মিল পাতিবলৈ লোৱাত দলগাওঁলৈ ৰেল লাইন দাবী কৰিব লাগে আৰু আমি আশা ৰাখিছোঁ যে এই ষষ্ঠ পৰিকল্পনাত এই জুটমিল হব। দৰং জিলাৰ খাৰুপেটীয়া আৰু দলগাওঁ বিশেষকৈ সৰিয়হ প্ৰধান ঠাই। সেয়েহে ইয়াত কমাৰ্চিয়েল Crops ৰ উৎপাদন বেছি। কিন্তু ৰেল লাইনৰ

যোগাযোগ ব্যৱস্থা ভাল নোহোৱা বাবে এই অঞ্চলটো আৰ্থিক দিশত আগবাঢ়িব পৰা নাই। সেয়ে এই জন অঞ্চলত এটা মিটাৰ গজ লাইন অতি শীঘ্রে কৰিব লাগে বুলি দাবী কৰিব লাগে। কাৰণ এই অঞ্চলটো বানিজ্য প্রধান ঠাই যদিও যোগাযোগৰ কাৰণে অৰ্থনৈতিক দিশত খেতিয়ক সকল উপকৃত হব পৰা নাই। আৰু কৃষিজাত বস্তুৰ উপযুক্ত মূল্য দিব পৰা নাই। গতিকে ষষ্ঠ পৰিকল্পনাৰ ভিতৰতে এই অঞ্চলত এই লাইনটো হব বুলি আশা কৰি সংশোধনীটো দাঙি ধৰিলোঁ।

শ্রীকুল বাহাদুৰ ছেত্ৰী :— অধ্যক্ষ মহোদয়, এই সংশোধনীৰ লগতে ময়ো এটা সংশোধনী আনিব খুজিছো বা মোৰ সংশোধনীটো আগৰ সংশোধনীত সোমাই দিলে ভাল হয়। লেখাপানীৰ পৰা জাগুনহৈ জয়ৰামপুৰলৈ এটা ৰাস্তা আছে আনটো নামচিক লৈ টিৰাপত যিটো ৰেল লাইন আছে সেইটো ৰাইজৰ কামত বৰকৈ অহা নাই। অকল কয়লাৰ কাৰণেই ৰেল থাকিলে ৰাইজৰ উপকাৰ নহয়। গতিকে এই লাইনটো আৰু প্রায় ৭ মাইল সম্প্রসাৰণ কৰিলে হাজাৰ হাজাৰ খেতিয়ক ৰাইজৰ উপকাৰ হব। আনহাতে আৰ্থিক দিশত ৰেল বিভাগৰো উপকাৰ হব। অধ্যক্ষ মহোদয় আপুনি নিজে জানে টিৰাপ অঞ্চল অৰুনাচলৰ পৰা জয়ৰাম পুৰলৈ এই অঞ্চলটোত মিলিটাৰীৰ হেড কোৱাৰ্টাৰ আছে আৰু ৰাইজৰ ফালৰ পৰা আৰু প্রতিৰক্ষাৰ ফালৰ পৰাও এই অঞ্চলটো গুৰুত্বপুৰ্ণ ঠাই। এই জাগুনত যি জংচন আছে সেইটো চাৰিও ফালৰ পৰা আৰু প্রতিৰক্ষাৰ ফালৰ পৰাওঁ গুৰুত্বপূৰ্ণ। গতিকে আশাকৰো এই প্রস্তাৱটো সমৰ্থন কৰাৰ লগতে লেখাপানাৰ পৰা জাগুনলৈ এই ৭ মাইল ৰাস্তা ৰেল সম্প্রসাৰণ কৰিবলৈ যাতে এই প্রস্তাৰৰ

লগতে সংযোগ কৰে তাৰ বাবে চৰকাৰক অনুৰোধ কৰিলো।

শ্ৰীজীৱন বৰা ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীচামচুল হুদা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আগবঢ়াইছে সেই প্ৰস্তাৱটো সমৰ্থন জনাই বন্ধুবৰ শ্ৰীচহৰীয়া ডাঙৰীয়াৰ লগত মই এটা সংশোধনী আনিছো। এই সংশোধনীটোৰ মুল কথা এই যে অসমৰ অৰ্থনৈতিক দিশটো আগত ৰাখি এইখন ৰাজ্যৰ যাতায়ত উন্নয়ন অতি আৱশ্যক হৈ পৰিছে। শ্ৰীহুদা চাহাবে প্ৰস্তাৱটো দাঙি ধৰি বিস্তাৰিত ভাবে আলোচনা আগবঢ়াই কৈছে আমাৰ দেশত কৃষিৰ উন্নয়নৰ কাৰণে যাতায়তৰ উন্নতি অতি আৱশ্যকীয় দিশ। আমি স্বীকাৰ কৰিবই লাগিব যে অসম ভাৰতবৰ্ষৰ ভিতৰতেই অতি পিচপৰা অঞ্চল। ইয়াত প্ৰথমে কৃষিৰ উন্নতি সাধন কৰিব লাগিব আৰু কৃষি উন্নয়ন সাধন কৰিবলৈ যিখিনি সুযোগ সুবিধা সেইখিনি গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত ৰেল লাইনৰ সম্প্ৰসাৰণে এক বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। অকল কৃষিৰ ক্ষেত্ৰতে নহয় এইখন দেশত উদ্যোগৰ উন্নয়নৰ কথাও বিশেষ ভাবে চিন্তা কৰিব লাগিব। কাৰণ কৃষিৰ দ্বাৰা আমি যিমানেই আগ নাবাঢ়ো কিয় Optimum point is to reach at. এটা সময়ত ৰৈ যাব লাগিব। গতিকে কৃষিৰ লগে লগে শিল্প সম্প্ৰসাৰণ নকৰিলে আমাৰ অৰ্থনৈতিক দিশত কেতিয়াও উন্নতি কৰিব নোৱাৰো। এইক্ষেত্ৰত আমাৰ প্ৰথম যিটো কথা 'যাতায়ত' সেইটো সন্তোষজনক নহয়। সেইফালৰ পৰা চাই হুদা ডাঙৰীয়াৰ এই সম্প্ৰসাৰণ প্ৰস্তাৱত আমি জোৰ দিব লাগে লগতে ৰঙ্গিয়াৰ পৰা মঙ্গলদৈ হৈ যিটো বিস্তৃত অঞ্চল য'ত যান বাহনৰ বেছি ব্যৱস্থা নাই সেই অঞ্চলত ৰেল সম্প্ৰসাৰণ কৰা অতি দৰকাৰ। গতিকে

দলগাওঁৰ পৰা কালাইগাওঁহৈ খাৰুপেটিয়া লৈ ৰেল সম্প্ৰসাৰণত আমি বেছি জোৰ দিছো। এই অঞ্চলটো কৃষি বিখ্যাত আৰু এই সংযোগ থাকিলে কৃষিৰ সমৃদ্ধি আৰু বাঢ়িব। তেতিয়াহলে কৃষকসকলে তেওঁলোকৰ কৃষিজাত সামগ্ৰী উচিত মূল্যত বিক্ৰী কাৰৰ সুবিধা পাব। লগতে প্ৰস্তাৱিত ব্ৰডগজ লাইনটো ৰঙ্গিয়াৰ পৰা এই অঞ্চলৰ মাজেদি একেবাৰে ভোমোৰাগুৰি দলং স্থানলৈ সম্প্ৰসাৰণ কৰিব লাগে।

লগতে মই এই সংশোধনীত কৈছো যে ৰঙিয়াৰ পৰা এটা ব্ৰডগজ ৰেল লাইন ভোমোৰাগুৰিৰ দলং হোৱা ঠাইলৈকে সম্প্ৰসাৰিত লব লাগে। ব্ৰডগজ ৰেল লাইনৰ কথা এইকাৰণেই কৈছো যে আজি ৰেল সম্প্ৰসাৰণ যেনেকৈ কৰিবলৈ লোৱা হৈছে নতুন লাইন য'ত হব তাত ব্ৰডগজৰ দাবী কৰাই ভাল। ব্ৰডগজ হলে কি সুবিধা হব আপোনালোকে জানে। যিহেতু নতুন লাইনৰ সম্প্ৰসাৰণ কৰিব লাগে সেইবাবে ৰঙিয়াৰ পৰা একেবাৰে কলিয়া ভোমোৰা দলংলৈ কৰিব লাগে। কলিয়া ভোমোৰা দলংত বহু কোটি টকা খৰচ হব, সেই দলং কেৱল মটৰ গাড়ীৰ কাৰণে হব, মানুহ অহা যোৱা কৰিবৰ কাৰণে হব, ৰেলৰ কাৰণে নহয়। আমি আশা কৰিছিলো এই দলংত ৰোড আৰু ৰেলৱেৰ দুয়োটাৰে ব্যৱস্থা থকিব। কিন্তু এতিয়া জানিব পৰা গৈছে যে ৰেলৱেৰ ব্যৱস্থা নাথাকে। ৰেলৰ ব্যৱস্থা কিয় নাথাকে তাৰ এটা যুক্তি দিয়া হৈছে যে এতিয়া যিটো অৱস্থাত আছে সেইমতে ৰেলৰ দলং নালাগে। পিচত আৱশ্যক হব। এতিয়া বহুকোটি টকা পৰি থাকিব আৰু আন্‌ইকনমিক হব। এই যুক্তিটো যদি মানি লোৱা হয় তেতিয়া হলে ৰেল সম্প্ৰসাৰণ হোৱালৈকে বহুত

অসুবিধা হব। এতিয়া যিখন দলং কৰা হব সেইখন ৰেল বিভাগৰ পৰা কৰিব আৰু তালৈ বয়-বস্তু নিব লাগিব। সেই বস্তুবিলাক নিবৰ কাৰণেও বিকল্প লাইনৰ আৱশ্যকতা আছে। সেই ফালৰ পৰা ভাবিলে ৰঙিয়াৰ পৰা কলিয়াভোমোৰা দলংলৈ ব্ৰডগজ লাইন সম্প্ৰসাৰণ কৰিব লাগে আৰু এইটো কৰিলে অসমৰ উত্তৰ আৰু দক্ষিন পাৰৰ যাতায়ত ব্যৱস্থাৰ সুচল হব আৰু এই অঞ্চলত নতুন শিল্প গঢ়িবৰ কাৰণে সুযোগ আদায় হব। ইয়াৰোপৰি আমাৰ অসমৰ যাতায়ত ব্যৱস্থা উন্নত কৰিবৰ কাৰণে গহপুৰৰ পৰা ইটানগৰলৈ এটা নতুন ৰেল লাইন হব লাগে। গুৱাহাটীৰ পৰা পঞ্চৰত্ন, পঞ্চৰত্নৰ পৰা মানকাচাৰ ৰেল লাইন দাবী কৰাৰ লগতে আৱশ্যক অনুসৰি অসমৰ যি যি ঠাইলৈ ৰেল সম্প্ৰসাৰণ কৰিব লাগে গোটেই খিনি সন্নিবিষ্ট কৰি এই প্ৰস্তাৱৰ যোগেদি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আগবঢ়াব লাগে। কাৰণ এই অঞ্চলটো যোগাযোগৰ ক্ষেত্ৰত পিচপৰা সেইকথা কেন্দ্ৰীয় চৰকাৰে ভালকৈ জানে আৰু বিভিন্ন নেতাই প্ৰকাশ কৰিছে। কিন্তু ৰেলৰ বাজেটত এইবাৰ লাইন নুসুমোৱা কাৰণে দুখ পাইছো। আমাৰ প্ৰকৃত দাবী এই সংশোধনী প্ৰস্তাৱৰ জৰিয়তে দাঙি ধৰিছো আৰু প্ৰস্তাৱটো সকলো সদস্যই গ্ৰহণ কৰিব বুলি আশা কৰিছো আৰু সদনত গৃহীত এই প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰলৈ পঠাই কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে যাতে এই ৰেল লাইন বিলাক সম্প্ৰসাৰিত হয়।

শ্ৰীমুকুট শৰ্মা :— অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীচামচুল হুদা, ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু শ্ৰীৰমেশ চহৰীয়া, শ্ৰীজীবন বৰা, শ্ৰীকুলবাহদুৰ চেত্ৰীৰ, সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰি দুষাৰ কবলৈ ওলা-

ইছো। আজি নগাওঁৰ মৰিগাওঁৰ পৰা গুৱাহাটীলৈ বা জাগিৰোডলৈ কোনো ৰেল লাইনৰ সম্প্ৰসাৰণ হোৱা নাই আৰু সেই অঞ্চলৰ মানুহে আজিলৈকে ৰেল দেখা নাই বুলি কলেও মিছা কোৱা নহব। এইবাৰ ৰেলৰে বাজেট দাঙি ধৰোতে ৰেল মন্ত্ৰী শ্ৰীমধু দন্দৱত ডাঙৰীয়াই কৈছে যে কৃষিৰ উন্নতিৰ কাৰণে ৰেল লাইন সম্প্ৰসাৰণ কৰা হব। লোকসভাৰ মজিয়াত তেখেতে যিটো প্ৰতিশ্ৰুতি দিছে সেইমতে ৰেল লাইন গঢ়ি উঠিব বুলি আশা ৰাখিছো। আজি সংশোধনী দাঙি ধৰিছে যে চাপৰ মুখৰ পৰা শিলঘাটলৈ এই লাইনটোৰ সম্প্ৰসাৰণ হব লাগে, তাৰ প্ৰতি সমৰ্থন জনাইছো। নগাওঁৰ পৰা শিলঘাটলৈ এই ৰেল লাইনৰ অংশটো আজিও মাৰ্টন নামৰ এটা ব্যক্তিগত কোম্পানীয়ে চলাই আছে। এই কোম্পানীটোক একশ বছৰৰ কাৰণে লিজত দিয়া হৈছিল। সেই লিজ ১৯৭০ চনতহে শেষ হব। এই এশ বছৰৰ সেই লাইনটো লিজত চলি থকাৰ কাৰণে তাৰ কোনো উন্নতি হোৱা নাই। আমি দেখিছো যে ব্ৰহ্মপুত্ৰত দ্বিতীয় খন দলং হল। সেই কাৰণে এই লাইনটো মিটাৰ গজ কৰিবলৈ নগৈ ব্ৰডগজ কৰিব লাগে। ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয় দলংখনত চলাচলৰ কোনো সুবিধা নাই মাত্ৰ যাত্ৰী, যান-বাহণ চলাচলৰ সুবিধা কৰা হৈছে। এই দলংখন এতিয়াও কৰা হোৱা নাই যেতিয়া ৰেল লাইনৰো ইয়াৰ সুবিধা কৰি দিব লাগে যাতে তেজপুৰ, অৰুণাচল তথা বিভিন্ন অঞ্চললৈ যাতায়তৰ সুবিধা হয়। মই পুণৰবাৰ অনুৰোধ কৰিছো যাতে নগাওঁ শিলঘাট লাইনটো ব্ৰডগজ লাইনলৈ পৰিবৰ্ত্তন কৰা হয়। যাতায়ত ব্যৱস্থাৰ সুবিধাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাই মুল প্ৰস্তাৱটোৰ সমৰ্থন জনালো।

(At 11·05 hours Hon. Spehaer vacated

and Hon. Deputy Speaker occupied the Chair )

শ্ৰীপ্ৰেমধৰ বৰা :—উপাধ্যক্ষ মহোদয়, আজি আমাৰ এই পবিত্ৰ বিধান সভাত মাননীয় সদস্য শ্ৰীচামচুল হুদা চাহাবে যিটো প্ৰস্তাৱ উৎথাপন কৰিছে আৰু লগতে কেবাগৰাকী সদস্যাই যি সংসোধনী দাঙি ধৰিছে সেই কেইটাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মোৰ ফালৰ পৰা এটা সংসোধনী দাঙি ধৰিছো। Sir, I beg to move the following amendments to the resolution moved by hon'ble Member Shri Samsul Huda and to extend the railway line (I) from North Lakhimpur to Kamalabari and (2) Tipling station to Badatighat. আপুনি নিশ্চয় জানে যে লক্ষীমপুৰখন শস্য আৰু কৃষি প্ৰধান অঞ্চল হিচাবে উদ্যোগৰ ক্ষেত্ৰত একেবাৰে পিচপৰা। এতিয়ালৈকে লক্ষীমপুৰ জিলাত মাজুলী, ধেমাজীত উদ্যোগপাতি গঢ়ি উঠা নাই। গতিকে কৃষি আৰু উদ্যোগ এই দুটাৰ উন্নতি কৰিবলৈ হলে, বৰ্ত্তমান চলি থকা যাতায়ত ব্যৱস্থাৰ উন্নতি সাধন কৰিবলৈ হলে লক্ষীমপুৰৰ পৰা কমলাবাৰী পাৰ ঘাটলৈ ৰেল সংযোগ কৰা উচিত। কৃষি প্ৰধান অঞ্চল হিচাবে তাৰ চহিদা পুৰাবলৈ আৰু কৃষিজাত বস্তু বজাৰত বিক্ৰী কৰিবলৈ সুচল হয়। লক্ষীমপুৰৰ ৰাস্তাৰ কোনো উন্নতি হোৱা নাই। অসম চৰকাৰে অৰ্থনৈতিক অৱস্থাৰ দোহাই দি ৰাস্তাৰ উন্নতি সাধন কৰিব পাৰা নাই।

সেই কাৰণে মই কওঁ যে, যদি ৰেলওৱে বিভাগে এই অঞ্চলত ৰেল লাইনৰ সু-বন্দোৱস্ত কৰে তেতিয়াহলে, এই অঞ্চলটোৰ উন্নতি হব আৰু লগতে ৰাজ্যখনৰ পৰিবহন ব্যৱস্থাইও অগ্ৰগতি

লাভ কৰিব। সেইবাবেই মই এই সংশোধনী প্ৰস্তাৱটো দাঙি ধৰিছোঁ। মই ভাৱো কেন্দ্ৰীয় চৰকাৰে আমাৰ অসম চৰকাৰৰ পৰা যথেষ্ট পাইআছে কিন্তু তাৰ বিনিময়ত আমাৰ ৰাজ্যখনে সেই মতে সা-সুবিধাৰ ক্ষেত্ৰত পাবলগীয়া খিনিও পোৱা নাই। গতিকে আমাৰ চৰকাৰে এই সংশোধনী প্ৰস্তাৱটোত সন্মতি জনাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰাজ্যখনৰ যাতায়তৰ বিশেষকৈ ৰেইলওৱে পৰিবহনৰ সুচল ব্যৱস্থাৰ কাৰণে টানি ধৰে যেন। এই পূৰ্ব্বাঞ্চলীয় অঞ্চলটো সকলোৰে দৃষ্টিত থকা অঞ্চল। কেন্দ্ৰীয় চৰকাৰে প্ৰসাশনীয় স্বাৰ্থৰ খাতিৰত হলেও ভাল যাতায়তৰ ব্যৱস্থা কৰাটো একান্তই প্ৰয়োজনীয়। এই খিনিকে কৈ মই এই সংশোধনী প্ৰস্তাৱটো দাঙি ধৰিছো আৰু লগতে মই আমাৰ মাননীয় সদস্য সকলক এইটো অনুৰোধ জনাম যে, সদনত অহা মুল প্ৰস্তৱটো আৰু ইয়াৰ লগত অহা সংশোধনী সৰ্ব্বসন্মতি ক্ৰমে গ্ৰহণ কৰি অসম চৰকাৰক এটা শক্তিশালী পদক্ষ্যেপ লোৱাত সমৰ্থন জনাব।

Mr. Deputy Speaker :— We want to finish the resolution before 11.30; so let us do it; if we continue it, it will not come to an end. If you (Members) agree with me, then I may request the Minister -In-Charge of Transport to reply.

শ্ৰীউমেশ চন্দ্ৰ দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই এই সংশোধনীটো সমৰ্থন কৰাৰ লগে লগে মাননীয় সদস্য শ্ৰীচহৰীয়া ডাঙৰীয়া আৰু শ্ৰীবৰা ডাঙৰীয়াই অনা সংশোধনীও সমৰ্থন কৰিছো। এই পৰিপ্ৰেক্ষিতত মই আন এটা সংশোধনী ডাঙি ধৰিব খুজিছো। গুৱা-

হাটীৰ পৰা আৰম্ভ কৰি গোৱালপাৰা জিলালৈকে ৰেল লাইনৰ কোনো সম্প্ৰসাৰণ নাই। বাস্তৱ পক্ষে কবলৈ গলে গুৱাহাটীৰ পৰা গোৱাল পাৰালৈ নেশ্বনেল হাইওৱেৰ বাহিৰে অন্য আৰু কোনো যাতায়তৰ ব্যৱস্থা নাই। তাত যিখিনি মানুহ আছে সেই সকলো খিনিয়েই জনজাতীয় লোক। গোৱাল পাৰা আৰু দক্ষিণ কামৰূপৰ অধিবাসী সকল অৰ্থনৈতিক ক্ষেত্ৰত সচাঁকৈয়ে পিছপৰা। ইয়াত ফৰেষ্ট সম্পদো যথেষ্ট আছে। কৃষিৰ ক্ষেত্ৰতো এইটো এটা উন্নতিশীল অঞ্চল। ৰাইজৰ চাহিদা পূৰণৰ অৰ্থে গুৱাহাটীৰ পৰা তালৈ ৰেইল লাইনৰ সম্প্ৰসাৰণৰ যত্তিযুক্ততা আছে। শিলঘাটৰ নিছিনাকৈ যোগীঘোপালৈ ৰেল লাইনৰ সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিব নোৱাৰিলে তাত হব লগীয়া দলং খনৰ ক্ষেত্ৰটো হেঙাৰ আহি পৰিব। সেইকাৰণেই মই গুৱাহাটীৰ পৰা যোগীঘোপা পঞ্চৰত্নলৈকে ৰেল লাইনৰ সম্প্ৰসাৰণৰ সংশোধনী প্ৰস্তাৱ এটা ইয়াৰ লগতে দাঙি ধৰিলোঁ। আশাকৰো তাত সকলোৱে সমৰ্থন দিব।

শ্ৰীযোগেন গগৈ :— মাননীয় উপাধ্যক্ষ মহোদয় শিমলুগুৰি, মৰাণহাট ৰেল লাইন এটা কৰাৰ ক্ষেত্ৰটো চৰকাৰে মতামত দিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে আৰু লগতে মাননীয় সদস্য শ্ৰীচহৰীয়া ডাঙৰীয়া আৰু শ্ৰীদাস ডাঙৰীয়াই যিটো সংশোধনী দাঙি ধৰিছে সেইটোত আমাৰ সম্পূৰ্ণ সমথন আছে। আপুনি জানে উপাধ্যক্ষ মহোদয়, যুগ যুগ ধৰি আমাৰ এই উত্তৰ পূৰ্ব্বাঞ্চলটো যাতায়তৰ ক্ষেত্ৰত সকলো দিশৰ পৰাই বঞ্চিত হৈ আছে। আজি ৩১ বছৰে ভাৰতৰ বাকী ৰাজ্য বিলাকত যাতায়তৰ

বহুল উন্নতি আনকি "ব্ৰড্‌গজ ৰেল লাইন" পৰ্য্যন্ত হলহি কিন্তু সেইবোৰ ৰাজ্যৰ তুলনাত আমাৰ হলে একো নহল। ফলত বহুতো ক্ষেত্ৰত আমি অসুবিধা ভোগ কৰিব লগীয়া হৈছে। এখন ৰাজ্যৰ অৰ্থনৈতিক মানদণ্ডৰ উন্নতিৰ কাৰণে যাতায়ত প্ৰথম মূলবস্তু। যদি যাতায়তৰ উন্নতিসাধন কৰিব নোৱাৰি তেতিয়াহলে, জনসাধাৰণৰ অৰ্থনৈতিক মানদণ্ডৰ উন্নতি সাধনৰ চিন্তা সদায় চিন্তা হৈয়েই থাকিব। কাৰ্য্যত কেতিয়াও পৰিণত হব নোৱাৰে। সেইকাৰণে বৰ্ত্তমান নতুন চৰকাৰে পথ, ৰেইল আৰু নৌ এই তিনিও দিশতে যাতায়তৰ সুচল ব্যৱস্থা কৰিবলৈ আগবাঢ়িছে। এই ক্ষেত্ৰত উত্তৰ পূব-পৰিষদেও যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। এই সম্পৰ্কে নানান আলোচনা বিলোচনা আদিও হৈছে। এই পৰিপ্ৰেক্ষিতত আমাৰ মাননীয় সদস্য শ্ৰীৰমেশ চহৰীয়া ড'ঙৰীয়াই আক্ষেপ প্ৰকাশ কৰি কৈছে যে, কেন্দ্ৰীয় চৰকাৰে ৰেল বাজেটত এই সমগ্ৰ অঞ্চলটো সংযোগ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। তেখেত নিশ্চয় সুখী হব যে, অসমৰ পৰ্ব্বত ভৈয়ামক সংযোগ কৰিবৰ কাৰণে ছটা নতুন ৰেল লাইনৰ প্ৰস্তাৱৰ কথা ইতিমধ্যেই ঘোষণা কৰা হৈছে। কিন্তু লগতে এইটোও কব খোজো যে, আমাক ইয়াৰেই নহব আৰু লাগিব। অসমৰ জনতা চৰকাৰক কেন্দ্ৰীয় জনতা চৰকাৰে সাম্ভাব্যা দি সকলো দিশতে সহায় সহযোগ আগবঢ়াব লাগিব। এই ক্ষেত্ৰত ইতিমধ্যেই কেন্দ্ৰীয় চৰকাৰৰ আগ্ৰহ প্ৰকাশ পাইছেই। সেই কাৰণেই আপোনালোকক কলে অলপ বঢ়াই কোৱা হব, বহুদিনৰ পৰা "প্ৰোচেছ" হৈ থকা শিলঘাটৰ দলঙ খন কৰাৰ কাৰণে সিদ্ধান্ত ২২ দিনৰ ভিতৰতে খাটাং কৰা হয়। অকল ইমানেই নহয়, ডিব্ৰুগড় আৰু যোগীঘোপাটো দুখন দলং সাজি উলিউৱাৰ কাৰণে প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আগবঢ়োৱা হৈছে। সকলো ফালৰ পৰাই আমি

প্ৰচেষ্টা চলাই থাকিম। এই ক্ষেত্ৰত সকলোৰে পৰাই সহায় সহযোগ কামনা কৰিম। অসমৰ জন-গণৰ সহায় সহযোগ পালে আমি নিশ্চয় কৃতকাৰ্য্যতা লাভ কৰিব পাৰিম।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য সকলে যি কেইটা পৰামৰ্শ ৰেল লাইন সম্প্ৰসাৰণৰ ক্ষেত্ৰত দাঙি ধৰিছে সেই কেইটা অতি গুৰুত্বপূৰ্ণ পৰামৰ্শ। আজি আমি আমাৰ চৰকাৰৰ ফালৰ পৰা যথেষ্ট আন্তৰিকতাৰে কেন্দ্ৰীয় চৰকাৰক বিষয় বস্তুতো দাঙি ধৰিম। আপোনালোকৰ পৰা আমি সকলো ক্ষেত্ৰতে সহায় সহানুভূতি আৰু সহযোগিতা বিচাৰো আৰু যদি নাপাও তেনেহলে আমি কোনো ক্ষেত্ৰতে কোনো কামতেই আগবাঢ়ি যাব নোৱাৰিম। অসমৰ জনতা চৰকাৰে আজি ৰেল লাইনৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত যথেষ্ট চিন্তা কৰিছে।

শ্ৰীকালিৰাম ডেকাৰজা :— আজি আমাৰ জনতা চৰকাৰে ৰেল লাইন সম্প্ৰসাৰণৰ কথা চিন্তা কৰিছে হয়, কিন্তু মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, অসমত বহুতো ৰেল ষ্টেচন আছে কিন্তু সেইবিলাক অঞ্চলৰ জনসাধাৰণৰ যোগাযোগৰ কাৰণে এপ্ৰচ ৰোড নথকাৰ বাবে জনসাধাৰণৰ উপকাৰ হোৱা নাই। উদাহৰণ স্বৰূপে মই থেকেৰাগুৰি ষ্টেচনৰ কথাকে কৈছো, তাত ষ্টেচনৰ ওচৰত এপ্ৰচ ৰোড নথকাৰ বাবে ৰাইজৰ বিশেষ উপকাৰ হোৱা নাই। গতিকে এনে ধৰণৰ ষ্টেচন যিবিলাক ঠাইত আছে তাত এপ্ৰচ ৰোড দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এনেধৰণৰ সমস্যা আমাৰ

বহুতেই পঞ্জীভূত হৈ আছে। আজি আমাৰ উত্তৰ পাৰে যি ৰেল লাইন হৈছে সেইটো কাৰ অনুগ্ৰহত হৈছে আৰু কোনে বাধ্যত পৰি দিছিল সেইটো আপোনালোকে ভালকৈ জানে। উত্তৰ পাৰৰ বহুতো ৰেল ষ্টেচনৰ লগত যোগাযোগ ব্যৱস্থা হোৱা নাই। মই মাননীয় সদস্য সকলক কব খোজো যে, বৰ্ত্তমান চৰকাৰে যিবিলাক উন্নয়নৰ কাম হাতত লৈছে যিমান সোনকালে পৰা যায় সেই বিলাক কৰিবলৈ আমি চেষ্টা কৰিম। অসমৰ পৰা পূৰ্ব্বঞ্চললৈ ৰেল লাইন সম্প্ৰসাৰণৰ বাবে মাষ্টাৰ প্লেন আদি বনোৱাৰ ব্যৱস্থা কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, আমি এতিয়া আমাৰ অৰ্থনৈতিক মানদণ্ড উন্নত কৰিব লাগিব। আজি মৰিগাওঁ, নগাওঁ বা যোৰহাটত ষ্টেচন দি কেইটামান ঘৰ সাজিলেই আৰু মহকুমা বা জিলা কৰিলেই অৰ্থনৈতিক মানদণ্ড উন্নত কৰা নহয়। আমাৰ যিবিলাক অঞ্চল আজি বঞ্চিত হৈ আছে সেইবিলাকক যেতিয়ালৈকে আমি পুনৰ উদ্ধাৰ কৰিব নোৱাৰো, সেইবিলাকত যেতিয়ালৈকে ৰেল লাইনৰ সম্প্ৰসাৰণ কৰি যোগাযোগ ব্যৱস্থা উন্নত কৰিব নোৱাৰো, তেতিয়ালৈকে আমাৰ অৰ্থনৈতিক উন্নয়ন হব নোৱাৰে। এইবিলাক উন্নতি কৰিব পাৰিলে আমাৰ ৰাইজে উৎপাদন কৰা বস্তু আদি বিক্ৰী কৰিবলৈও বজাৰ আদিৰ সুবিধা পাব। বোধকৰো মাননীয় সদস্য সকল মোৰ লগত একমত হব যে, আপোনালোকে দেখিছে আৰু মই নিজেও দেখিছো বহুতো ঠাইত বেঙেনাকে আদি কৰি নানা ধৰণৰ শাক পাচলি উৎপাদন হয়, যিবিলাক বজাৰ বা যোগাযোগ ব্যৱস্থাৰ অভাৱৰ বাবে বিক্ৰী কৰিব নোৱাৰে আৰু ট্ৰাক আদি গৈ ২০০ টকাৰ বস্তু ৫০ টকাতে কিনি আনেগৈ। আজি

ভাল যাতায়ত বা যোগাযোগ ব্যৱস্থা নোহোৱাৰ বাবেই এই অৱস্থা হবলৈ পাইছে। আপোনালোকক আৰু এই পবিত্ৰ সদনৰ মনোভাৱ আমাৰ চৰকাৰে বুজিব পাৰিছে আৰু আমাৰ চৰকাৰে এই মনোভাৱ কৰ্য্যত পৰিণত কৰিবৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীজগত চন্দ্ৰ পাটগিৰি :— উপাধ্যক্ষ মহোদয়, যোৱা ৩০ টা বছৰে আমাৰ দক্ষিন পাৰে দক্ষিন কামৰূপত ৰেল লাইনৰ বাবে দাবী কৰি অহা হৈছে কিন্তু তাৰ কোনো ব্যৱস্থা হোৱা নাই। ৰেল লাইনৰ বাবে কেইবাবাৰো চাৰভে কৰা হৈছিল কিন্তু একো হোৱা নাই। গতিকে আমাৰ দক্ষিন পাৰে গুৱাহাটীৰ পৰা যোগীঘোপালৈ ৰেল লাইনৰ ব্যৱস্থা কেতিয়া হব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— খৰটকীয়া ব্যৱস্থা লৈ যি কোনো কাম সুচাৰুৰূপে কৰাটো মস্কিলৰ কথা। প্ৰথমে চাৰভে হব তাৰ পিচত মাষ্টাৰ প্লেন হব তাৰ পিচতহে অন্যান্য কাম হব। গতিকে এই কাম এই বছৰত নহলেও অহা বছৰৰ প্ৰাৰম্ভনীতে নিশ্চয় হব। আজি অসম প্ৰদেশত লিগেছিৰ বাহিৰে কি আছে ৰাষ্টা আছে নে পুদুলি আছে নে, একো নাই। আজি ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ইমান বছৰ হল, আন আন প্ৰদেশে আজি যিমান সুবিধা পাইছে, অসমত সেই পৰিমানে একো হোৱা নাই। মাত্ৰ অসমক এটা ৰাজনৈতিক গবেষণাগাৰত ৰূপান্তৰ কৰা হৈছে। আমি বুজিব পাৰিছো অসমৰ ভবিষ্যত উন্নত কৰিবলৈ হলে অসমৰ অৰ্থনৈতিক অৱস্থা তথা উত্তৰ পুৰ্ব্বাঞ্চলৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিব লাগিব। লগে লগে নৌ, পথসংযোগ আৰু যাতায়ত

আদিৰ সকলোৰে ব্যৱস্থা উন্নত কৰিব লাগিব। এই সম্পৰ্কে আমি এন, ই, চি, আৰু এন, দি, চি বাউন্সিলৰ ওচৰত আমাৰ ফালৰ পৰা ব্যক্ত কৰিছো। আজি কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাত ব্ৰডগজ লাইন গুৱাহাটীলৈ আগবাঢ়ি আহিব আৰু ইয়াৰ দ্বাৰাই আমাৰ সকলো সমস্যা সমাধান নহব। অসমৰ ৰাস্তা পদূলি উন্নত কৰিব লাগিব কাৰণ ইয়াৰ মাজেদিয়েই ৬-৭ খন ৰাজ্যৰ গাড়ী চলাচল কৰে। গতিকেই আমি আজি ৰাস্তা উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছো।

উপাধ্যক্ষ মহোদয়, আজি এইকথা আমাৰ কেন্দ্ৰীয় চৰকাৰে বুজি পাইছে আৰু তাৰ বিহিত ব্যৱস্থা কৰিবলৈ আগ-বাঢ়ি আহিছে। কিন্তু আমি এইটো দেখিছো যে, আমাৰ ইয়াত পেপাৰ ওৱাৰ্কহে বেছি হয় আচল কাম নহয়। আৰু আমাৰ মাননীয় সদস্য ইদ্ৰিচ ডাঙৰীয়া মন্ত্ৰী থাকোতেও কিমান কাম হৈছিল সেইটো তেখেতে ভালকৈ জানে। সদনৰ আজি যিটো মনোভাব আমাৰ আগত ব্যক্ত কৰিছে সেইটো আমি কেন্দ্ৰীয় চৰকাৰক বুজাবলৈ চেষ্টা কৰিম আৰু আশাকৰো কেন্দ্ৰীয় চৰকাৰো নিশ্চয় সন্মত হব। গতিকে মই সদনক জনাও যে আমাৰ এই যিটো এমেণ্ডমেণ্ট আহিছে সেইটো গ্ৰহণ কৰাত আমাৰ আপত্তি নাই।

শ্ৰীমুকুট শৰ্ম্মা :—উপাধ্যক্ষ মহোদয়, চৰকাৰৰ তৰফৰ পৰা এটা চৰকাৰী প্ৰস্তাৱ আনিব নেকি? গুৱাহাটীলৈ ব্ৰডগজ লাইন অনা হৈছে আৰু গুৱাহাটীৰ পৰা উজনি অসমলৈও সদৰ ঠাই বিলাকৰ মাজেদি যাতে এই ব্ৰডগজ লাইন বিলাক যাব পাৰে তাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— মাননীয় সদস্যক জনাবলৈ পাই সুখী হৈছো যে, আমি ভাবিছো আপ-টু মাৰ্ঘেৰিটা, লিডু, ডিব্ৰুগড়, ভাইয়া তিনচুকিয়াইদি এই লাইন দিয়াৰ কথা চিন্তা কৰিছো। আৰু এই লাইনে যাতে আমাৰ সদৰ ঠাই বিলাক চুই যায় তাৰ বাবে চেষ্টা কৰিছো।

Mr. Deputy Speaker :— Now, I like to put before the Hon'ble House the amendment moved by Shri Ramesh Chandra Saharia and Shri Jiban Bora. The original resolution was moved by Shri M.Shamsul Huda extension of railway line. The amendment moved is—

"after the word Bhakatgaon 'before the word 'in' to insert the following" and also to extend the B.G.line from Rangia to Bhomoraguri Brahmaputra Bridge point and M.G. line from Tangla to Dalgaon via Kalai-gaon, Mangaldoi, Kharupetia and from Kotakhal to Sairang and from Chaparmukh to Silghat and from Lekhapani to Jagu".

( The amendment is passed on voice vote )

The second amendment as moved by Shri Premodhar Bora and other on the extension of rai-

lway line is like this "and also to extend Railway line from (1) North Lakhimpur to Kamalabari and (2) Tipling to Badati Ghat"

( The amendment is passed on voice vote )

There is another amendment placed by Shri Umesh Chandra Das. But there should have been a cirular on this. However, I put the amendment before the Hon'ble House. The amendment is "In the fifth line in between the words" Bhakat Goan and in "the following is to be inserted" and extension of Railway line from Gauhati to Pancharatna of Goalpara to the south bank of river Brahmaputra".

( The Resolution as amended is passed )

The resolution as amened is passed accordingly.

The House stands adjourned till 10 a.m of 26th February, 1979.

## ADJOURNMENT

The House then rose at 11:32 A: M. and stood adjourned till 10 A. M: on Monday, the 26th February, 1979:

DISPUR: P: D. BARUA,

The 23rd February, 1979 Secretary

Assam Legislative Assembly: